মহামুনি বাল্মীকি ৰচিত

উত্তৰাকাণ্ড ৰামায়ণৰ অন্তৰ্গত

লৱকুশৰ যুদ্ধ।

এজনা মহাকবি দ্বাৰা অসমীয়া ভাষাত ৰচিত।

শ্ৰীহৰিচন্দ্ৰ দেৱ গোস্বামী

শ্ৰীধৰ্ম্মদত্ত লহকৰ দ্বাৰা

প্ৰকাশিত।

বৰবাৰী সত্ৰ, কামৰূপ।

বেচ ।৵০ ছঅনা মাথোন।

মহামুনি বাল্মীকি ৰচিত

উত্তৰাকাণ্ড ৰামায়ণৰ অন্তৰ্গত

লৱকুশৰ যুদ্ধ।

এজন মহাকবি দ্বাৰা অসমীয়া ভাষাত ৰচিত।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

শ্ৰীহৰিচন্দ্ৰ দেৱ গোস্বামী

শ্ৰীধৰ্ম্মদত্ত লহকৰ দ্বাৰা

প্ৰকাশিত।

বৰনাৰী সত্ৰ, কামৰূপ।

GOVERNMENT OF ASSAM
Call No............
DISTRICT LIBRARY.

কলিকাতা,

৫০২ চুকীয়া ষ্ট্রীট মালিকা যন্ত্রে শ্রীহরিচরণ দে দ্বারা

মুদ্রিত হইল

শ্ৰীশ্ৰীৰামচন্দ্ৰায় নমঃ ।

লৱ-কুশৰ যুদ্ধ ।

কুজাৰি ৰিপু মিত্ৰস্য ভৃত্যাস্থ পিতৃ বাহন'
অন্তাক্ষৰ বিহীনেন তেদেবাঃ পান্তুবঃ সদা ।

পদ ।

ৰাম দেৱ বদতি শুনিয়ো ঋষিলোক ।
নিঃশঙ্ক কৰিয়া অনুমতি দিয়া মোক ॥
স্বৰ্ণৰ প্ৰতিমা সাজিয়ো সীতা থানে ।
অশ্বব্ৰতী ব্ৰত আৰম্ভিবো একমনে ॥ ১
শুনিয়োক ৰাজঋষি গৰিষ্ঠ আমাৰ ।
পাতক সাগৰে যেন সবে কৰা পাৰ ॥
অশ্বমেধ কৰিবাক মোৰ মহাৰঙ্গ ।
দেৱ দ্বিজ পিতৃৰ নকৰা আশা ভঙ্গ ॥ ২

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

বশিষ্ঠ বদতি শুনা শুনা সাধু ৰাম।
অশ্বমেধ কৰিবাক মোৰ হয় মন ॥
ঝাণ্ট কৰি সাজিয়ো যজ্ঞৰ যত সাজ।
আসিলা পূর্ণিমা বিলম্বত নাহি কাজ ॥ ৩
পুনৰপি ৰামে হেন বুলিলা বচন।
বিলম্ব নকৰি কৰা যজ্ঞক সাধন ॥
ৰামৰ বচনে ঋষি গৈলা ঘোৰাশালে।
বাচিলেক ঘোৰা শুক্ল বর্ণ যে সকলে ॥ ৪
লাঞ্জ হৰিদ্রাৰ বর্ণ মুখ যে পাণ্ডুৰ।
হেন ঘোৰা বাচি আগ কৰিলা ৰামৰ ॥
ঘোৰা দেখি ৰামচন্দ্রে চালিলেক গায়।
পাদ্য অর্ঘ দিয়া পূজিলন্ত বহুভায় ॥ ৫
ঘোৰাক পখালি চন্দনৰ লেপ দিলা।
সুবর্ণৰ অলঙ্কাৰে শৰীৰ মন্দিলা ॥
সেহি দিন অশ্বব্রতী ব্রত আৰম্ভিলা।
সুবর্ণৰ পত্র ঘোৰা কপালে আৰিলা।
সেহি যে পত্রত লেখি বিস্তৰ বচন।
দশৰথ সুত ৰাম কৌশল্যা নন্দন ॥
কৌশল্যাৰ সুত ৰাম বীৰ অতি সাৰ।
ধৰোক মোহোৰ ঘোৰা বল আছে যাৰ ॥ ৭
তিনি ভাৰ সুবর্ণক গাৱে গাৱে দিলা।
এক পোহা ৰত্ন দিয়া মন সন্তোষিলা ॥

নানা দিশ হন্তে যত যত আছে আসি।
ৰামে আনি দিলা দান দ্বিজে লৈলা হাঁসি॥ ৮
দুখী ভুখী দেশান্তৰী আছিলেক যত।
সবে তুষ্ট হৌক ৰাম দেৱৰ সম্মত॥
অনন্তৰে শক্রুঘনে ৰাঘৱ বদতি।
ৰাখিয়োক হয় বাপু হুয়া সেনাপতি॥ ৯
সবাৰ প্ৰসাদে যজ্ঞ কৰিবাক চাওঁ।
তেবেসে ৰাবণ বধ পাতক এৰাওঁ॥
শক্রুঘন বদতি শুনিয়ো ৰামদেৱ।
তুমি সম আমাৰ সুহৃদ নাহি কেৱ॥ ১০
এৰিয়োক চিন্তা ময় ৰাখিবোহোঁ হয়।
আছোক মনুষ্য দেৱতাকো নাহি ভয়॥
হেন শুনি ৰামচন্দ্ৰে মেলিলেক হয়।
দশোদিশে সৰ্ব্বজনে কৰে জয় জয়॥ ১১
শক্রুঘন লৰি গৈলা ঘোৰাৰ পাচত।
তিনি অক্ষৌহিণী সেনা লৰিলা লগত॥
গ্ৰাম নগৰৰ হাটি বাটি বনগিৰি।
ইচ্ছাৰূপে ৰামৰ ঘোটকে আছে ফুৰি॥ ১২
অল্পবল ৰাজা মানে ৰামনাম দেখি।
আগ বঢ়াইলেক ঘোৰা সমৰ উপেখি॥
হেন মতে ৰাজ্যে ৰাজ্যে ফুৰে তুৰঙ্গম।
পাচে পশিলেক ঘোৰা বাল্মীকি আশ্ৰম॥ ১৩

সিবেলাত বাল্মীকি গৈলেক নাগলোক।
বৰুণে বোলয় মোৰ যজ্ঞ কৰিয়োক॥
যজ্ঞ কৰি তথাতে ৰহিলা তপোধন।
শূন্য আশ্ৰমতে ঘোৰা পশিলন্ত বন॥ ১৪
ঋষিৰ আশ্ৰমে বন দেখি লাগে ৰঙ্গ।
ফলে ফুলে জাতিষ্কাৰ জামিৰ সোলোঙ্গ॥
আম জাম লেতুক আম্লকি অসংখ্যাত।
যেহি ফল ফুল চাৱে সেহি পাৱে তাত॥ ১৫
তাকে ৰাখি বনত ফুৰয় সীতা-সুত।
ঋষিৰ চৱাল সঙ্গে ফুৰন্ত বহুত॥
ধনু শৰ ধৰি ফুৰে নিঃশঙ্ক হৃদয়।
দেখন্ত বনত ফুৰে বিচিত্র যে হয়॥ ১৬
ঘোৰা ধৰিবাক লৱ যায় আগ বাঢ়ি।
পঢ়িলন্ত পত্ৰখান কপালৰ কাঢ়ি॥
শুভপত্ৰে সমিধান প্ৰথম বচন।
দশৰথ সুত ৰাম কৌশল্যা নন্দন॥ ১৭
অশ্বমেধ যজ্ঞ হেতু মেলিলা ঘোৰাক।
যাহাৰ শকতি আছে ঘোৰাক ধৰোক॥
নুহি তেবে সামৰাজ্যে বৰোক যজ্ঞত।
হেনয় বীৰত্ব বাণী দেখিলা পত্ৰত॥ ১৮
হেন দেখি কুপিলন্ত সীতা সুত লৱ।
বীৰত্ব বচনে তান নসহিলা গাৱ॥

ৰামৰ জননী যে কৌশল্যা নিজ মাতা।
আসি জন্ম ধৰি আছোঁ জানকী সীতাত ॥ ১৯
কোন থান দেখোঁ আজি ৰাম বীৰবৰ।
মই লাগ পাইলে তাঙ্ক কৰিবো সমৰ ॥
এহি বুলি লৱে পাচে গৈলা আগ বাঢ়ি।
আপোনাৰ গাৰৱ উত্তৰি লৈলা কাঢ়ি ॥ ২০
আগবাঢ়ি ঘোৰাৰ উত্তৰি দিলা গলে।
আজুৰি পিজুৰি নিয়া বান্ধি থৈলা কলে ॥
ঋষিৰ চৱালে বোলে শুন অৰে লৱ।
তোমাৰ নিমিত্তে আমি পাইবো বৰ ভয় ॥ ২১
ৰাজাৰ ঘোৰাক তুমি ধৰা কি কাৰণে।
মাৰি ধৰি সবাক নিবেক এতিক্ষণে ॥
অসংখ্যাত সেনা আছে তাহাৰ পাচত।
শুনিছা তাহাক তুমি যুজিতে শকত ॥ ২২
আছোক যুজিবে তাক দেখি লাগে ডৰ।
লুটি পুৰি নিব আজি সকলো নগৰ ॥
স্বভাৱে ব্ৰাহ্মণ আমি আৰু শিশুকাল।
শূন্য যে আশ্ৰম ঋষি গৈলেক পাতাল ॥ ২৩
হেন শুনি কোপে লৱ দিলন্ত উত্তৰ।
স্বভাৱে ব্ৰাহ্মণ জাতি ডৰুক সবাৰ ॥
তুমি সবে ঋষিৰ ঔৰসে ভৈলা জাত।
আমি জন্ম ধৰি আছোঁ জানকী সীতাত ॥ ২৪

আগে ঘোৰা ধৰি পাচে এৰো মঁয় যেবে।
সংসাৰৰ বীৰগণে হাঁসিবেক তেৱে॥
ইসৱ লজ্জাত কৰি মৰণেসে ভাল।
নেৰিবো ঘোৰাক তোৰা যাওক সকল॥ ২৫
জয় মুনি বদতি শুনিয়ো জন্মিজয়।
ঘোৰা ধৰি লৱ বীৰ আছন্ত নিৰ্ভয়॥
অসংখ্যাত সেনা দণ্ডে ছত্রে আসে ধায়।
ঢাক ঢোল তবল মৃদঙ্গ বাদ্য বায়॥ ২৬
কি হল কি হল ঘোৰা বুলি ৰিঙ্গ পাৰে।
তিনি অক্ষৌহিণী সেনা ধাইল একেবাৰে॥
শত্রুঘন প্রসাদত নিঃশঙ্ক হৃদয়।
দেখন্ত কলৰ গাছে বান্ধি আছে হয়॥ ২৭
কিসক ধৰিলি ঘোৰা নৃপতি ৰামৰ।
ঋষিৰ চৱাল মৰিবাক নাহি ডৰ॥
হেন শুনি ঋষিৰ চৱালে পাৰে ডাক।
নধৰোঁ ৰামৰ ঘোৰা ৰাখিযো আমাক॥ ২৮
গাছৰ গুৰিত বসি আছে একেশ্বৰ।
সেহিসে ধৰিছে ঘোৰা নৃপতি ৰামৰ॥
হাক ডাক সুশুনি পৰৰ ধৰে হয়।
ইহাৰেসে লৱ নাম জানিবা নিশ্চয॥ ২৯
হাঁসিয়া কটকে বোলে অবোধ চৱাল।
ৰাজাৰ ঘোৰাক ধৰি লগাইলি জঞ্জাল॥

বাটৰ ধেনুক ধৰি দু হাতে চান্দস ।
মৰিবাৰ ঔষধক গলত বান্ধস ॥ ৩০
এৰা ঝাণ্টে ঘোৰা কেনে মৰিবাক চাস ।
এহি বুলি কটকে চাপিলা গৈয়া পাশ ॥
ঘোৰা মেলিবাক যায় আথ বেথ কৰি ।
হেন দেখি লৱ পাচে গৈলা আগ বাঢ়ি ॥ ৩১
আমাক নুশুধি ঘোৰা মেলাস সম্প্ৰতি ।
নেদিলে নিবাক পাৰে কাহাৰ শকতি ॥
আমি যে নেদিলে ঘোৰা নিবা কেন কৰি ।
এহি বুলি লৱ পাচে গৈলা ধনু ধৰি ॥ ৩২
মহা কোপে মাৰিলা নৰাচ অসংখ্যাত ।
সেহি শৰে সবাৰ কাটিলা দুই হাত ॥
হাত কাটা সেনাগণে পাৰয় আটাস ।
ধৰ ধৰ মাৰ মাৰ আৰ কিবা চাস ॥ ৩৩
অৱশেষ সেনাগণে হানিলা শকতি ।
শ্ৰম কৰি এৰাইলন্ত সীতাৰ সন্ততি ॥
গঙ্গাত স্নানিলে যেন পাতক এৰায় ।
লৱক নুচুই শৰ ফিৰিয়া আসয় ॥ ৩৪
পুনৰপি কোপ মনে সীতাৰ সন্তান ।
গাৱে গাৱে পঞ্চ শৰ কৰিলা সন্ধান ॥
সেহি শৰে হৃদয়ক ভেদিলেক ডাতি ।
পাচে আৰু শৰে শিৰ পেলাইলেক কাটি ॥ ৩৫

হস্তীগণ আৰু কাটি পেলাইলা তহিত।
সুবর্ণ কবচ সমে ৰথী বিপৰীত॥
শুণ্ডে মুণ্ডে কাটিলেক ঘণ্টাই সহিত।
পতাকা ধ্বজক কাটি পেলাইলা তহিত॥ ৩৬
ৰথ চক্র বিবিধ কাটিলা জাকে জাক।
সাৰথি সহিতে কাটি পেলাইলা ঘোৰাক॥
তথাপিতো কোপ ক্ষমা নভৈল লৱৰ।
হৰিণক লাগি যেন বাঘে দিলা ধাৰ॥ ৩৭
খাণ্ডা বাৰু সহিতে পদাতি বহুতৰ।
কাটি কাটি পঠাইলেক যমৰ নগৰ॥
গজ বাজি প্রজা মাৰি পেলাইলা উৰাই।
হেন দেখি শত্রুঘনে ক্রোধে গৈলা ধাই॥ ৩৮
বিচিত্র ৰথত চৰি সমৰক যান্ত।
কর্ণমানে ধনু টানি কোপত গজ্জন্ত॥
খানিটেক সহ তই সম্মুখ সমৰে।
শিশু দেখি তোক সবৰজনে দযা কৰে॥ ৩৯
হেন শুনি লৱ বীৰ কতক্ষণে আসি।
দশ পাত শৰ তূণ হস্তে লৈলা বাচি॥
কর্ণমানে টানিয়া হানিলা দশ শৰ।
একেবাৰে দশৰো ভেদিলা কলেৱৰ॥ ৪০
আৰু চাৰি শৰে মাৰিলেক চাৰি হয়।
আৰু শৰে ধ্বজ কাটি পেলাইলন্ত তয়॥

সেহি শৰে হৃদয়ক ভেদিলেক দাতি।
পাচে আৰু শৰে শিৰ পেলাইলেক কাটি ॥ ৪১
ৰথৰ সন্তাৰ মানে কাটি আৰু শৰে।
ধনুৰ গুণক কাটিলন্ত আৰু শৰে ॥
ৰামৰ কনিষ্ঠ ভাই সমৰে নিপুণ।
পুনৰপি ধনুত লগাইল আৰু গুণ ॥ ৪২
নৰাচ পট্টিস ভল্ল হানিলা বহুত।
সব শৰ সহিলেক জানকীৰ সুত ॥
অনন্তৰে পুনৰপি শৰ তিনি পাতে।
ভেদিলেক বৰ চোটে লৱৰ গাৱতে ॥ ৪৩
ভল্ল তিনি শৰ ফুটি সীতাৰ সন্তান।
হাঁসি হাঁসি উপালন্ত বুলিলা বচন ॥
অনেক লঘুৰ বাণী বুলিলা বিস্তৰ।
শৰ বুলি মাৰিলাহা মালতীৰ ফুল ॥ ৪৪
এহি শৰে মোহোৰ কপালে জাতিঙ্কাৰ।
খানিতেক সহ আৰো কৰোঁ প্ৰতিকাৰ ॥
এহি বুলি লৱে প্ৰহাৰিলা চাৰি শৰ।
চাৰি শৰে চাৰি ঘোৰা নিলা যমঘৰ ॥ ৪৫
আৰু এক পাট শৰ মাৰিলেক দাতি।
সেহি শৰে সাৰথীৰ শিৰ নিলা কাটি ॥
শত্ৰুঘ্নৰ ধ্বজ গোট অতি বিপৰীত।
দুই শৰ হানি কাটি পেলাইলা তহিত ॥ ৪৬

হস্তী ৰথ সাৰথী ঘোটক ধনু ধ্বজ।
অন্য ধনু ধৰি যুজিবাক ভৈলা সাজ॥
কোপ অপমানে পাচে দশৰথ-সুতে।
হালধীয়া শৰ পাত বাচি লৈলা হাতে॥ ৪৭
গৃধ্র শগুণৰ পাখি আনি তাক চাইলা।
নাহিকে নিস্তাৰ যাক আগে লাগ পাইলা॥
হেন শৰগুণত যুৰিলা সেনাপতি।
দয়াযে শিশুক চাই শত্রুঘ্ন বদতি॥ ৪৮
তই শিশু চন্নালক কেনে কৰোঁ শৰ।
মোৰ বাক্য ধৰি পলাই প্ৰাণ ৰক্ষা কৰ॥
হেন শুনি লবে প্ৰহাৰিলা দুই বাণ।
হালধীয়া শৰক কৰিলা খান খান॥ ৪৯
মিছা সাক্ষী কহন্তে পুৰুষ অধোগতি।
শত্রুঘ্নৰ শৰ ভৈলা তেনয় সঙ্গতি॥
শৰ হত দেখি শত্রুঘন বীৰ বৰ।
যমদণ্ড সদৃশ ধৰিলা আৰু শৰ॥ ৫০
দেখি সীতা সুতে অতি কুপিলন্ত মনে।
শৰ ধনু জপাই কাটিলা তেতিক্ষণে॥
শিশুৰ সমৰে অতি উপালম্ভ পাই।
হাত হন্তে কাটা ধনু আছাৰি পেলাই॥ ৫১
যেই ধনু শৰে মাৰিলোহোঁ ৰিপুগণ।
আজি সেই শৰ ধৰি তোক কৰোঁ চম্ন॥

জ্যেষ্ঠ মাসৰ ৰৌদ্ৰৰ যেহেন তৃপিতি।
সেহিমতে.শৰ প্ৰহাৰিলা চতুৰ্ভিতি॥ ৫২
বহ্নি সম ধনু টানি দিলন্ত আটাস।
মাৰিলোঁ চৱাল আজি জীবন্তে নৰস॥
শৰৰ দীপিতি দেখি লৱ ভৈলা ত্ৰাস।
জানিলোঁ আমাক শৰে কৰিলা বিনাশ॥ ৫৩
বিপাকে পৰিলোঁ আৰে মোৰ প্ৰাণ যায়।
আছোঁ একেশ্বৰে লৱে নাহি কুশ ভাই॥
যদি মোৰ কুশ ভাই থাকয় লগত।
তেৱে কি মোহোৰ ভয় আছে সমৰত॥ ৫৪
এবেসে জানিলোঁ মোক চলিলেক বিধি।
শুনি আছোঁ পুৰুষৰ সাহতেসে সিদ্ধি॥
যেবে মোৰ মাৱ সীতা সাস্তী স্বৰূপত।
তেৱে মোৰ শৰে শৰ কাটোক বাটত॥ ৫৫
আমাৰ কীৰিতি ৰৌক যুৰিয়া সংসাৰ।
এহি বুলি লৱে শৰ কৰিলা প্ৰহাৰ॥
শত্ৰুঘ্নৰ শৰক বাটত পাই লাগ।
মাজতে কাটিলা তাক কৰি দুই ভাগ॥ ৫৬
তাৰ আধখান শৰ আসে দৰদৰি।
তাহাক লাগিয়া লৱে আছে লক্ষ্য কৰি॥
তাক লাগি লৱে প্ৰহাৰিলা দুই বাণ।
সিয়ো আধখানক কৰিলা খান খান॥ ৫৭

তাৰ আধখান শৰ উফৰিয়া গৈলা।
লৱৰ হাতৰ ধনু কাটিয়া পেলাইলা ॥
ধনু কাটি হৃদয়ত পৰিলা সন্ধানে।
ফুৰি ফুৰি লৱ মূৰ্চ্ছা গৈলা সেহিথানে ॥ ৫৮
বিষ্ণু অংশ হেতু তাৰ বৈলেক পৰাণ।
অচেতন ভৈলা যেন মৃতক সমান ॥
ক৹তদূৰে উফৰিয়া পৰিলা ভূমিত।
নাহিকে চেতন জ্ঞান ভৈলা বিমূৰ্চ্ছিত ॥ ৫৯
তেন দেখি ৰাম সেনা তুলিলেক দণ্ড।
শঙ্খ ভেৰী মৃদঙ্গ বজাৱে বাদ্য ভণ্ড ॥
কতো সেনাগণ আগ বাঢ়ি গৈলা তয়।
কলৰ গাছৰ পৰা মেলিলেক হয় ॥ ৬০
কতো কতো শাৰি হুয়া বজাৱে চাপৰি।
কতো কতো জনে নাচে অঙ্গি ভঙ্গি কৰি ॥
সেহি বেলা আগ বাঢ় গৈলা সেনাপতি।
দেখন্ত চৰাল ভৈলা মৃতক সঙ্গতি ॥ ৬১
ৰামৰ সদৃশ দেখোঁ তোৰ কলেৱৰ।
কিসক নুগুণি তোক কৰিলোঁ সমৰ ॥
অনুমানে জানোঁ তোৰ বয়স ওঠৰ।
কিবা নয় দশ তোৰ বাঢ়ৱ বছৰ ॥ ৬২
অল্প বয়সতে এত মান বীৰ ভৈলি।
মৰিবাক লাগি তই সুমৰণ থৈলি ॥

জীৱন্ততে কিয় ধৰি নিনিলোঁ বোপাই।
পালিলেক তোক তেবে ৰামদেৱে পাই ॥ ৬৩
এবেসে মোহোৰ শোক ভৈলা তোক লাগি।
পালিবাক নপাৰিলোঁ ময় মন্দভাগী ॥
জানোবা মোহোৰ ভাগ্যে কিবা আছে প্রাণ।
ঝাণ্ট কৰি যাই সেনা সব জল আন ॥ ৬৪
আনিলেক জল ঢালিলেক তাৰ মাথে।
কিছু প্রাণ আছে দেখি তুলি লৈলা ৰথে।
আঙ্কোৱালি ৰথে তুলি লৈলা তেতিক্ষণে।
লৱক জিনিয়া নিলা বীৰ শত্রুঘ্নে ॥ ৬৫
বন্দী কৰি লৱক ৰথত লৈয়া যায়।
অনেক বিচিত্র কৰি বাদ্যভাণ্ড বায়।
জয় মুনি কহে শুনা জন্মিজয় ৰাজ।
বন্দী ভৈলা লৱ ৰাম-কটকৰ মাজ ॥ ৬৬
ঋষিৰ চৱাল সব ঘৰাঘৰি গৈলা।
অশ্বস্তৰ কথাক সীতাৰ আগে কৈলা।
তযু পুত্র লৱ গৈলা আমাৰ লগত।
ৰঙ্গে ঢঙ্গে একেলগে আছিলোঁ বনত। ৬৭
কোনোবা ৰাজাৰ ঘোৰা কটকে সহিত।
আমাৰ আগত আসি ভৈল উপস্থিত।
তযু পুত্র লৱে নুশুনিলা হাক ডাক।
উত্তৰি বস্ত্রক কাঢ়ি বান্ধিলা ঘোৰাক ॥ ৬৮

কটকে দেখিলা ঘোৰা আছে কলগাছে।
অদভুত যুদ্ধ সেনাগণে দিলা পাচে ॥
অনেক সেনাক মাৰিলন্ত তযু স্থত।
তেবে সেনাপতি আগ বাঢ়ি দিলা যুদ্ধ ॥ ৬৯
কতো বেলি দুয়ো জনে কৰিলা সমৰ।
লৱৰ হৃদিত ভেদিলন্ত দিব্য শৰ ॥
শৰ ঘারে তাহাৰ পিৰিলা সবে তনু।
পাছে কাটি পেলাইলা লৱৰ দিব্য ধনু ॥ ৭০
মূৰ্চ্ছিত কৰিয়া বন্দী কৰিলন্ত তথা।
জীৱন মৰণ নজানিলোঁ পাচ কথা।
ঋষিৰ চৱাল মুখে শুনি সীতা সতী।
তা পুত্ৰ বুলি ঢলি পৰিলা তহিতি। ৭১
আকুল ব্যাকুলে কান্দিলন্ত সীতা আই।
ধেনু বিয়াকুল যেন ধন হেৰুৱাই ॥
কতো বেলি সীতা আই লভিলা চেতন।
সূৰ্য্যক প্ৰণামি হেন বুলিলা বচন ॥ ৭২
দশ দিগপালগণ সবে হবা সাক্ষী।
যদি আমি পতিব্ৰতা ধৰ্ম্ম আছোঁ ৰাখি ॥
যেবে মই শিশু ধৰি কৰা নাই পাপ।
তেবে মোত নলাগোক শিশুৰ সন্তাপ ॥ ৭৩
যাবদেকে কুশে লাগ নপাৱয় মানে।
তেবে মোৰ লৱ পুত্ৰ জীয়োক কল্যাণে ॥

পুত্ৰ প্ৰতি সীতা সতী কৰন্ত ক্ৰন্দন।
মোৰ হাক নুশুনি কিসক গৈলি বন ॥ ৭৪
একেশ্বৰে শিশুক বিস্তৰে পাইল লাগ।
যেবে প্ৰাণ ৰহে বাপু মোৰ বৰ ভাগ ॥
চন্দ্ৰ সম বদন দেখিয়া কোন বীৰে।
কোন সতে শৰ হানে তোহোৰ শৰীৰে ॥ ৭৫
ফল মূল ভোজনত সুকোমল কায়া।
হেন ৰূপ দেখি তোক নকৰিলা দয়া ॥
এবে কি কৰিবো মই কৈক লাগি যাওঁ।
ইতো পুত্ৰ-শোক মই কহিতে এৰাওঁ ॥ ৭৬
নাহিকে বাল্মীকি ঋষি নাহি কুশ বাপ।
কাহাত কহিব কোনে খণ্ডাইবে সন্তাপ ॥
ইষ্ট বন্ধু বান্ধৱ সবাকে মই এৰি।
বনবাস দিলে মোক ভৈলোঁ একেশ্বৰী ॥ ৭৭
এহি দুই পুত্ৰত মোহোৰ বৰ আশ।
হৰি হৰি বিধি তাত কৰিলা নৈৰাশ ॥
আনো গুণগণ বৰ্ণাই কান্দিলা বহুত।
সেহি বেলা কুশ আহি ভৈলা উপগত ॥ ৭৮
পন্থত আসন্তে তাৰ ভৈলা বিমঙ্গল।
বিনা শোকে বিষাদে নয়নে বহে জল ॥
বাম বাহু ফন্দে উতপাত কৰে মন।
হেন দেখি গুণিলন্ত সীতাৰ নন্দন ॥ ৭৯

আজি দেখোঁ লৱ ভাই নাসে আগবাঢ়ি ।
দদাই বুলিয়া ফল নেনে আসি কাঢ়ি ॥
আজি প্ৰভাততে মোৰ লগে ভৈলা সাজ ।
মই বোলোঁ তোহোৰ বনত নাহি কাজ ॥ ৮০
কিবা সেহি খঙ্গে মোৰ নচাপয় পাশ ।
এহি মনে গুণি কুশে কাঢ়ন্ত নিশ্বাস ॥
কিবা শূন্য ছেগ চাই কিবা নিলা ধৰি ।
কি কাৰণে নাসে লৱ আথবেথ কৰি ॥ ৮১
মাৱত শুধিলে কথা পাইবো সমুদায় ।
এহি বুলি ঘৰে গৈলা দুৱাৰ এৰাই ॥
মাৱক প্ৰণামি কুশ আগে ভৈলা থিৱ ।
সীতায়ে বোলন্ত বাপু হৌক চিৰঞ্জীৱ ॥ ৮২
সজল নয়ন শোকে গদ গদ মাত ।
হেন দেখি কুশে পাচে পুছিলা মাৱত ॥
তোমাৰ বিষাদ আজি কি কাৰণে আই ।
কোন ঠাই গৈলা ঘৰে নাহি লৱ ভাই ॥ ৮৩
অবোধ চৱাল কিবা কোন থানে গৈলা ।
আন বা তোমাৰ কিবা অথন্তৰ ভৈলা ॥
সীতায়ে বোলন্ত শুনা শোকৰ কাৰণ ।
ঋষিৰ চৱাল সঙ্গে লৱ গৈলা বন ॥ ৮৪
কোনোবা ৰজাৰ ঘোৰা সেহি স্থানে আছে ।
নজানি নুশুনি থৈলা বান্ধি কল গাছে ॥

ঘোৰা-ৰক্ষা সেনামানে বেঢ়ি দিলা ৰণ।
তাক মাৰি লৱে নিলা যমৰ কাৰণ ॥ ৮৫
তাৰ সেনাপতি যুদ্ধ কৰি অনন্তৰে।
হৃদয়ত লৱৰ ভেদিল দৃঢ় শৰে ॥
সেহি শৰে লৱ পুত্ৰ অচেতন ভৈলা।
পাচে সেনাপতি ৰথে তুলি লৈয়া গৈলা ॥ ৮৬
জীৱন মৰণ তাৰ নজানিলোঁ সাৰ।
তুমি বিনে কোনে কৰিবেক প্ৰতিকাৰ ॥
একমনে বোলোঁ মই তোহোক পঠাওঁ।
আৰ মনে বোলোঁ জানোঁ তোহোক হৰাওঁ ॥ ৮৭
উগুল থুগুল স্থিৰ নাহিকে মনৰ।
আপোনাৰ যেই ইচ্ছা তাকে তই কৰ ॥
হেন শুনি কুপিলন্ত সীতাৰ নন্দন।
ভ্ৰূকুটি কুটিল মুখ অধৰ নয়ন ॥ ৮৮
মাৱক প্ৰণামি পাচে মাতিলন্ত কুশে।
সবাক তুৰিব আজি মোহোৰ পৌৰুষে ॥
কোননো পাপিষ্ঠে মোৰ ভাইক নিলা ধৰি।
তাৰ তেজে আজি স্নান কৰাব বসুন্ধৰী ॥ ৮৯
যদিবা ৰিপুক ইন্দ্ৰে ৰাখে বজ্ৰ ধৰি।
তথাপি বধিব তাক ঘোৰ ৰণ কৰি ॥
যদিবা বৰুণে ৰাখে ধৰি নাগ পাশ।
তথাপি ৰিপুক ৰণে কৰিবো বিনাশ ॥ ৯০

যদি সখা হুয়া ৰক্ষা কৰন্ত কুবেৰে।
তথাপিতো তাক মাৰি নিবো যম-ঘৰে ॥
যদি যম দণ্ড ধৰি ৰাখে যমৰায়।
তথাপি মোহোৰ বৈৰী মাৰিবো নিশ্চয় ॥ ৯১
যদি দেবগণ বা সকলে আসে সাজি।
মোৰ ভ্ৰাতৃ বৈৰীক ৰাখিব কোনে আজি ॥
তথাপি মাৰিবো ৰণে নকৰিবো ভয়।
মেলাইবো লৱক আজি জানিবা নিশ্চয় ॥ ৯২
এৰিযো বিলাপ বিলম্বত নাহি কাজ।
শৰ ধনু কবচ যুদ্ধৰ দিয়া সাজ ॥
যক্ষ বা ৰাক্ষস সিদ্ধ গন্ধৰ্ব্ব কিন্নৰ।
সবে যদি সখা হোৱে ভ্ৰাতৃৰ বৈৰীৰ ॥ ৯৩
কুশৰ বচনে সীতা গৈলা অভ্যন্তৰ।
যুদ্ধৰ সকল সাজ দিলা ধনু শৰ ॥
শৰ ধনু খাণ্ডা বাৰু কীৰিটি কুণ্ডল।
যুদ্ধৰ সম্ভাৰ মানে দিলন্ত সকল ॥ ৯৪
কৰ্ণত কুণ্ডল পিন্ধি সীতাৰ নন্দন।
প্ৰণাম কৰিলা পাচে মাৱৰ চৰণ ॥
সংগ্ৰামত জয় হৌক দিলা হেন বৰ।
কল্যাণে কুশলে পুত্ৰ আসিয়োক ঘৰ ॥ ৯৫
সীতায়ে বোলন্ত বাপু ৰণজয় হৌক।
ৰিপু জিনি পুত্ৰ আনি খণ্ডায়োক শোক ॥

এহি শুনি লৰিলন্তু সীতাৰ নন্দন।
বাল্মীকি ঋষিৰ মনে নমিলা চৰণ ॥ ৯৬

ঢুলৰি।

শৰীৰ ঢাকিয়া কবচ পিন্ধিলা
কীৰিটি চৰাইলা মাথে।
কৰ্ণত কুণ্ডল ৰবি শশী সম
ধনু লৈলা বাম হাতে ॥
পিঠিৰ ওপৰে দুই তূণ শৰ
তাহাৰ ওপৰে বাৰু।
ভাব সমন্বিতে কাশত খৰগ
হস্তী-দন্তে শঙ্খ চাৰু ॥ ৯৭
মাৱক প্ৰণামি কুশ লৱি গৈলা
ৰিপু সমজ্যাক হাম্ফি।
ঘৰৰ ওলাই আটাস তেজিলা
বাহুত মাৰিয়া দাম্ফি ॥
হৰিণ যূথক সিংহে খেদি নেয়
নাই ভয় ভীত ডৰ।
ৰিপু সৈন্য জাক খেদি লৈয়া যায়
লৱৰিয়া কুশ বীৰ ॥ ৯৮

থাক থাক অৰে আৰ কৈকে যাস
লৱক লৈয়া পলাস।
তাহান সোদৰ কুশ বোলে মোক
সবাকো কৰিবো নাশ॥
মোহোৰ বীৰত্ব আজিসে দেখাইবো
ঋষি উপদেশ সাৰ।
নির্ঘাত শবদে কর্ণমানে টানি
ধনুত দিলা টঙ্কাৰ॥ ৯৯
যদি আজি মোক সমৰে জিনস
লৱক নিয়া সাফল।
এহিসে দিনতে দুই চক্ষু খাইলি
সবান্ধৱে গৈলি তল॥
এভু হেন কৰ মোৰ বোল ধৰ
এৰিয়ো মোৰ সোদৰ।
নুহি আছে গহ খানিতেক সহ
সম্মুখ সমৰে মৰ॥ ১০০
তেৰ পাইলোঁ পাশ আৰ কৈক যাস
পালটি মোক নচাস।
কাঁর্শলা সর্পত গাৰুক মেলাইলি
বাঘক ধৰিবে চাস॥
কুশৰ বচন শুনি সেনাগণ
পালটি দেখে কুশক।

শ্ৰুতি বুদ্ধি জ্ঞান সকলে হৰিলা
সৱাৰে কম্পিলা বুক ॥ ১০১

পদ।

অন্যো অন্যে বোলে কিনো ভৈল অথন্তৰ।
যুদ্ধক প্ৰমুখে শিশু আসে একেশ্বৰ ॥
কবচ কুণ্ডল হাতে খাণ্ডা বাৰু ধৰি।
প্ৰজা সংহৰিতে যেন যমে লক্ষ্য কৰি ॥ ১০২
আৰু দেখিয়োক বিমঙ্গল বহুতৰ।
আপুনি সোলকি শৰ পৰয় তৃণৰ ॥
অনা বাৱে তলবল কৰে ধ্বজ চয়।
অকস্মাতে চিঞৰি উঠয় হস্তী চয় ॥ ১০৩
আৰু বিমঙ্গল দেখে ৰামৰ কটকে।
ওপৰত ফুৰে কাক শগুণ চতকে ॥
ডাৱৰ স্বৰগ খসি পৰয় আপুনি।
খৰ বায়ু বহে গিৰ গিৰ ধ্বনি শুনি ॥ ১০৪
ধূলায় আন্ধাৰ নেদেখয় দিশ পাশ।
যেন গ্ৰহণৰ সূৰ্য্য নকৰে প্ৰকাশ ॥
কতো বেলি দিবাকৰ ভৈলন্ত উদিত।
শত্ৰুঘনে দেখে কুশ চাপিল সন্নিত ॥ ১০৫

শত্রুঘ্ন বদতি শুনিয়োক সেনাচয়।
একেশ্বৰ শিশু কেহোঁ নকৰিবা ভয়॥
একো একো বীৰ আসে মহেন্দ্ৰ পৰায়।
মৰিবাৰ ত্ৰাসে এৰিবাক নলাগয়॥ ১০৬
হুয়া সাবধান শত্রুঘন যে বদতি।
আগ বাঢ়ি যুদ্ধ সবে কৰিয়ো সম্প্ৰতি॥
যাবদেকে সেনাপতি মহেন্দ্ৰ কটকৰ।
তাবদেকে সেনাপতি কৰিয়ো সমৰ॥ ১০৭
সেনাপতি বদতি শুনিয়ো নৰেশ্বৰ।
তোমাৰ প্ৰসাদে কেনে সমৰক ডৰ॥
এক্ষণে শিশুক মাৰোঁ থাকা ৰঙ্গ চাই।
এহি বুলি সেনাপতি ৰঙ্গে গৈলা ধাই॥ ১০৮
থাক থাক ওৰে দুষ্ট পাপিষ্ঠ দুৰ্ম্মতি।
মৰিবাক লাগি তই আসিলি সম্প্ৰতি॥
বিস্তৰ সেনাক একেশ্বৰে দিলি ধাৰ।
আপুনি চিন্তিলি দুষ্ট আপোনাৰ মাৰ॥ ১০৯
নাহি ইষ্ট মিত্ৰ বন্ধু বান্ধৱ সোদৰ।
কি কাৰণে মৰিবাক আইলি একেশ্বৰ॥
হেন জানো তোৰ আজি নাহিকে নিস্তাৰ।
এহি বুলি দশ শৰ কৰিলা প্ৰহাৰ॥ ১১০
দশ শৰ আসে দেখি সীতাৰ সন্তান।
মহা কোপে আতোপে ধৰিলা ধনুখান॥

তোক আজি উচ্ছন্ন কৰিবো সমৰত।
শৰ হানি শৰ সব কাটিলা বাটত॥ ১১১
পুনৰপি কুশে হানিলেক শৰচয়।
চাৰি শৰ হানি মাৰিলেক চাৰি হয়॥
আৰু শৰে কাটিলেক সাৰথীৰ শিৰ।
তিল সম কৰি ধ্বজ কাটিলন্ত বীৰ॥ ১১২
আগে পাচে ৰথত আছিলা যত বীৰ।
শৰ হানি কুশে তাৰ চেদিলন্ত শিৰ॥
কবচ কুণ্ডল পিন্ধি আছে সেনাপতি।
তাক কাটি পেলাইলেক সীতাৰ সন্ততি॥ ১১৩
তথাপিতো উপশান্ত নভৈলা কুশৰ।
শৰ হানি ধনু খান কাটিলা হাতৰ॥
কৰীকৰ সম উৰু ৰাতুল বিশাল।
শৰ হানি কুশে চেদিলন্ত সেহিকাল॥ ১১৪
বিগুটি বিগুটি সেনা মাৰি সমৰত।
কাটিলা চৰণ দুই আঠু ওপৰত॥
পাচে কাটিলন্ত শিৰ অৰ্দ্ধচন্দ্ৰ হানি।
চাৰিও দিশত শুনি হাহাকাৰ ধ্বনি॥ ১১৫
সেনাপতি হত সৰ্ব্বজনে আছে চাই।
হস্তী-স্কন্ধে চৰি ধাইলা তাৰ নাগ ভাই॥
হাতত শকতি ধৰি মাতে ভ্ৰাতৃ শোকে।
ভ্ৰাতৃৰ লগতে দিবো সৈতাৰি তোহোকে॥ ১১৬

এহি বুলি নাগ বীৰে হানিলা শকতি।
অগনিৰ শিখা যেন ভয়ঙ্কৰ গতি ॥
দেখিলন্ত কুশে গদা চাপিলন্ত পাশ।
পাঞ্চ শৰ হানি তাক কৰিলা বিনাশ ॥ ১১৭
যিবা হস্তী-স্কন্ধে নাগ বীৰ আছে চৰি।
শৰে হানি হস্তীৰ কাটিলা চাৰি ভৰি।
উচ্চল পৰ্ব্বত যেন হস্তী পৰে তথা।
হেন দেখি নাগ বীৰে তুলি লৈলা গদা ॥ ১১৮
গদা গোট ধৰি নাগবীৰ আসে ধাই।
অদভুত দেখি সৰ্ব্বজনে আছে চাই ॥
হাসিয়া সীতাৰ স্থতে হানিলন্ত শৰ।
গদা সমন্বিতে হাত কাটিলা নাগৰ ॥ ১১৯
হস্ত ছেদ দেখি নাগবীৰ মহা কোপে।
বাম হাতে গদা গোট ধৰিলা আটোপে।
সিয়ো হাত কাটিলন্ত সীতা-স্থত কুশে।
স্থধা গাণ্ডী গোট আসে বৰ অসন্তোষে ॥ ১২০
তথাপিতো উপশান্ত নভৈল কুশৰ।
শৰ হানি দুয়ো ভৰি কাটিলা নাগৰ ॥
হাত ভৰি ছেদ ভৈলা পৰিলা ভূমিতে।
পলায়ে ধূসৰ তনু তিতিলা শোণিতে ॥ ১২১
নাহি হাত ভৰি নাগ লুটি পাৰি যায়।
সূৰ্য্যক গ্ৰাসিতে যেন ৰাহু আসে ধায় ॥

সেহি বেলা কুশে শৰ মাৰিলেক জাতি।
শনায়িত শৰে তাৰ মাথা লৈলা কাটি ॥ ১২২
সেহি শিৰ গোট হৰে নিলা সেহি বেলা।
আপোনাৰ গলৰ গান্থিলা মুণ্ড-মালা ॥
সেনাপতি নাগৰ পৰিলা দুই ভাই।
পাচে কুশ গৈলা ৰাম-কটকক ধাই ॥ ১২৩
এক এক হস্তা যেন পর্ব্বত আঁকাৰ।
তাক কাটি পেলাইলেক সীতাৰ কুমাৰ ॥
তেজে পঙ্কাকুল ৰণভূমি সমুদায়।
ফুটিলে পলাশ যেন অধিকে শুৱায় ॥ ১২৪
বজ্ৰতৰ শৰচোটে বহ্নি গৈলা জ্বলি।
সেনা হত ভৈল যেবে শূন্য ৰণস্থলী ॥
কুশবীৰে কটক মাৰিলা সমুদায়।
পৰাভৱ পাই সেনা দশোদিশে যায় ॥ ১২৫
জয় মুনি বদতি শুনা জন্মিজয় ৰাজা।
শত্ৰুঘনে দেখে ব্যূহ ভাঙ্গি পলায় প্ৰজা ॥
কোপ অপমানে সমৰক লাগি যান্ত।
কর্ণমানে ধনু টানি বচন বোলন্ত ॥ ১২৬
থাক থাক অৰে মোৰ সেনাৰ বিপত্তি।
এহি বুলি শৰ প্ৰহাৰিলা মহামতি ॥
পুনৰপি মহাকোপে সীতাৰ সন্তানে।
ভেদিলেক শৰচয় কোপ-অপমানে ॥ ১২৭

সেহি শৰে ৰামৰ কনিষ্ঠ জৰ্জ্জৰিত ।
ঘোৰা সমে ৰথখান ভৈলা চূৰ্ণকৃত ॥
পুনৰপি মহাকোপে সীতাৰ তনয় ।
অনন্তৰে সাত শৰে ভেদিলা হৃদয় ॥ ১২৮
আতি দৃঢ়তৰ শৰে ভেদিলা হৃদয় ।
ফুৰি ফুৰি পৰিলেক দেখি তমোময় ॥
প্ৰমত্ত মাতঙ্গ যেন গিৰীৰ শিখৰে ।
অচেতনে আছে পৰি চেতন নকৰে ॥ ১২৯
শত্ৰুঘন বীৰক যে অচেতন দেখি ।
পলাইলা কটক তেবে সমৰ উপেক্ষি ॥
কতো কতো পলাই সেনা গৈলা অযোধ্যাক ।
ৰামৰ আগত এহি বাৰ্ত্তা জনাইবাক ॥ ১৩০
সেহি বেলা লৱে স্বস্থ পাইলন্ত গাৱত ।
দেখন্ত বসিয়া কুশ আছন্ত তথাত ॥
কুশক দেখিয়া লৱে হাসিয়া বোলয় ।
তোমাৰ প্ৰসাদে দাদা দুৰ্গতি এৰায় ॥ ১৩১
আজি মোৰ ৰণ ভঙ্গ ভৈলেক প্ৰমাদে ।
পুনৰপি জীলোঁ দাদা তোমাৰ প্ৰসাদে ॥
ঘোৰাক ধৰিয়া যত বীৰ আছে চাই ।
বায়ু-বিভা-বসু যেন দেখি দুয়ো ভাই ॥ ১৩২
জয় মুনি বদতি শুনিয়ো জন্মিজয় ।
ৰামৰ আগত প্ৰবেশিলা দূতচয় ॥

সিবেলাত ৰাম বসি আছন্ত কুশত।
মৃগ-চৰ্ম্ম পিন্ধি আৰম্ভিলা দৃঢ়ব্রত ॥ ১৩৩
ব্যাঘ্রৰ মৃগৰ চৰ্ম্ম গাৱে পৰিধান।
যজ্ঞ ব্রত আৰম্ভিলা আতি অনুপাম ॥
লক্ষ্মণ ভৰত উপশান্ত দুয়ো ভাই।
আছন্ত উপাসি বীৰগণে সেহি ঠাই ॥ ১৩৪
সুবৰ্ণ প্রতিমা সীতা আছে এক পাশে।
পাত্র মন্ত্রীগণে সৱে ৰাজাক উপাসে ॥
তিল ঘৃত শ্যাম ধূমে অৰুণ লোচন।
ৰামক প্রণামি দূতে বুলিলা বচন ॥ ১৩৫
শুনিয়োক কথা প্রভু ভৈলা আচৰিত।
তোমাৰ তুৰঙ্গ ৰঙ্গে ফুৰন্ত বহুত ॥
নেদেখিলোঁ হেন কোন ৰাজা ঘোৰা ধৰে।
আছোক যুজিব তযু নাম শুনি ডৰে ॥ ১৩৬
বনত পশিলা ঘোৰা দশোদিশ ফুৰি।
একেশ্বৰ চৱালে ঘোৰাক নিলা ধৰি ॥
একেশ্বৰ দেখিয়া সসৈন্যে দিলোঁ ধাৱ।
একেশ্বৰে সবাকো কৰিলা মহামাৰ ॥ ১৩৭
তেবেসে তোমাৰ ভাই কৰিলা সমৰ।
আৰু অন্যোঅন্যে বেঢ়ি কৰিলা সমৰ ॥
শৰে হানি ধনু কাটি অচেতন কৰি।
জীয়ন্তে ৰথত তুলি আনিলোহোঁ ধৰি ॥ ১৩৮

ৰঙ্গে ঢঙ্গে বাদ্যে ভণে বাই সমদলে।
ঋপু জিনি ঘোৰা লৈয়া আসোঁ কুতূহলে॥
সেহিবেলা তাৰ ভাই খাণ্ডা বাক ধৰি।
একেশ্বৰে খেদি আইলা থাক থাক কৰি ॥ ১৩৯
অসংখ্যাত সেনা মানে মাৰিলা সমৰে।
ভাইক মাৰিলা পাচে ঘোৰতৰ শৰে॥
তাৰ ভ্রাতৃ সমে পাচে ঘোৰা নিলা ধৰি।
তেবেসে পলাইলোঁ আমি সমৰক এৰি॥ ১৪০
ৰামদেৱ বদতি শুনিয়ো দূত লোক।
কিবা শিশু যুবক জিজ্ঞাসা কৰা মোক॥
কিবা উগ্রদণ্ড কৰিলেক শত্রুঘনে।
কি কাৰণে বোলা এত ঘাতুক বচনে॥ ১৪১
দূতগণে বোলে গুৰু দুনাই নমস্কাৰ।
মিছামাতে যিটো তাৰ কাটা যাউক ঘাৰ॥
যাৰ নাম সুমৰণে দুৰ্গতি এৰায়।
তাহান আগত মিছা কহন নযায়॥ ১৪২
স্বৰূপত সেনাপতি পৰিল ৰণত।
নকহিবো মিছা প্রভু তোমাৰ আগত॥
তান দুই ভাইৰ কেহোঁ নাহিকে সহায়।
যেন যুৱায় কৰিয়োক আপুনি উপায়॥ ১৪৩
দূতৰ বচনে ৰামে কৰন্ত বিলাপ।
আজি শত্রুঘনে দিলে দাৰুণ সন্তাপ॥

কিনো নিদাৰুণ পাপ কৰিলোঁ পূৰ্ব্বত।
ভ্ৰাতৃ হত ভৈল মোৰ শিশুৰ হাতত ॥ ১৪৪
আজিসে যজ্ঞৰ মোৰ ভৈল আশা ভঙ্গ।
শিশুৰ হাতত শত্ৰুঘন ভৈলা সাঙ্গ ॥
হেনয় অৱস্থা ভৈলা ভাইৰ পাঞ্চৰি।
কোনবা থানত তাৰ দেহা ৰৈলা পৰি ॥ ১৪৫
একমনে বোলোঁ মই সমৰক যাওঁ।
তেবেসে ভ্ৰাতৃৰ শোক সন্তাপ এৰাওঁ ॥
যজ্ঞ আৰম্ভন কৰি ধৰি আছোঁ ব্ৰত।
কেন মতে প্ৰাণী হিংসা কৰিবো ৰণত ॥ ১৪৬
মোহোঁৰ বচন ধৰ দয়াৰ সোদৰ।
কোথেৰ চণ্ডালে ভাইক মাৰিলা আমাৰ ॥
নাহি আন সহায় চণ্ডাল দুই জন।
ঘোৰায়ে সহিতে দুইকো আনা এতিক্ষণ ॥ ১৪৭
সমুখ সমৰে যাই নকৰিবা দয়া।
কোনবা দেৱতা যুঁজে ধৰি শিশু মায়া ॥
ৰাঘৱ বদতি শুনা সুমিত্ৰা-নন্দন।
কটকক সাজ কৰিলন্ত তেতিক্ষণ ॥ ১৪৮
চপকাৱে সাঁজি লৰিলন্ত ক্ৰোধমনে।
লক্ষ্মণৰ আদেশক শুনি সেনাগণে ॥
সাজিলেক ৰথ সৱ বিচিত্ৰ গঠনে।
লগন্ত চলিলা সেনা অনেক শোভনে ॥ ১৪৯

অসংখ্যাত গজ বাজি চলিলা পাচত।
পদাতিৰ সংখ্যা মই কহিবোহোঁ কত ॥
আগুৱান কটক চলিলা যত মানে।
সৱাৰ গাৱত শুক্ল বস্ত্ৰ পৰিধানে ॥ ১৫০
ৰাতুল পতাকা চিহ্ন ৰথ ওপৰত।
ৰাতুল পুষ্পৰ মালা পিন্ধিছে শিৰত ॥
ৰূপে যেন শোভে কামদেৱ সমসৰ।
সবাকো বুলিতে পাৰি ৰাজাৰ কুমাৰ ॥ ১৫১
হেন থানে সৈন্য সাঁজি চলিলা লক্ষ্মণ।
ইচ্ছাৰূপে সাঁজিলন্ত সুন্দৰ সুঠান ॥
লক্ষ্মণৰ লগে সেনা চলে যত যত।
শুক্ল বস্ত্ৰ পৰিধান সৱাৰ গাৱত ॥ ১৫২
তৰুণ দাৰুণ নিকৰুণ সেনা বল।
সৱাৰো যে দণ্ডছত্ৰ পতাকা ধৱল ॥
এক্কে যে ভাৰ্য্যাত পৰে নাজানে আনক।
সবে মহা ধৰ্ম্মশালী সুন্দৰ কটক ॥ ১৫৩
আপুনি লক্ষ্মণ অধিপতি ভৈলা যাৰ।
কালজিত বীৰ গৈলা পাচত সেনাৰ ॥
অসংখ্যাত সেনা সাঁজি চলিলা লক্ষ্মণ।
থাল বাম সম কৰি চলে সেনাগণ ॥ ১৫৪
ঘোৰাৰ খোজত সৰে ধূলি উৰি যায়।
অল্প শত নদী মানে নামিলে শুকায় ॥

লৱৰন্তে প্ৰজাৰ ভৰিৰ ধূলি উৰি।
আকাশত ফুৰি ফুৰি মেঘে যায় পৰি ॥ ১৫৫
ধূলা পৰি ধৱল ভৈলেক মেঘগণ।
সেই কাল হন্তে ধৌত মেঘৰ লক্ষণ ॥
পৰ্ব্বত সমান হস্তী যুথে যুথে যায়।
নসহে পৃথিবী কম্পি কম্পি হোৱে স্থায়ী ॥ ১৫৬
পটোৱাৰ হস্তীচয় গৰ্জ্জে অতিশয়।
ঘোটকৰ হিসনি শুনন্তে লাগে ভয় ॥
ৰথচক্ৰ ধ্বনি শুনি মেঘৰ গৰ্জ্জনি।
পদাতিৰ ৰাৱত আকাশে লঙ্ঘে ধ্বনি ॥ ১৫৭
হেন মতে সাঁজিয়া লক্ষ্মণ গৈলা লৰি।
যি থানত শত্ৰুঘন বীৰ আছে পৰি ॥
লক্ষ্মণ আগত কালজিত যে পাচত।
পৰি আছে শত্ৰুঘন দেখে সমৰত ॥ ১৫৮
সোলকিল কাপোৰ মুকুত ভৈলা কেশ।
ধূলায়ে ধূসৰ যেন বাতুলৰ বেশ ॥
নাহিকে চেতন জ্ঞান অচেতন দেখি।
ধাইলেক লক্ষ্মণ বীৰ খানিকো নাপেখি ॥ ১৫৯
জয় মুনি বদতি শুনিয়ো জন্মিজয়।
লক্ষ্মণৰ সেনাক দেখিলা দুয়ো ভাই ॥
ভয়ঙ্কৰ সেনা দেখি কুশৰ উত্তৰ।
এবে কি কৰিবো ঘোৰ মিলিল সমৰ ॥ ১৬০

অসংখ্যাত গজ বাজী অসংখ্যাত ৰথ ।
এবে কি কৰিবো লৱ মিলিল অনৰ্থ ॥
হাঁসিয়া বোলন্ত লৱ শুনিয়োক ভাই ।
তোমাৰ প্ৰসাদে থানিতেকো ভয় নাই ॥ ১৬১
সমস্ত সেনাক মাৰিবোহোঁ সমৰত ।
কুমুৰাত খাণ্ডাৰ প্ৰহাৰ যেন মত ॥
কলক যেমত গুৰি কাটিয়া পেলায় ।
ঋপু সেনাযুথক মাৰিবো সেহিপ্ৰায় ॥ ১৬২
যেনমতে পকা আম জোকাৰি পেলায় ।
সেহিমতে ঋপুসেনা মাৰিবোঁ নিশ্চয় ॥
তোমাৰ আগত সেনা তৃণৰ সদৃশ ।
নিজিৰাৰ পানীক অগনি কৰে কিশ ॥ ১৬৩
সিংহক যুঁজিতে পাৰে ছাগলৰ ধাৰে ।
সাগৰক বান্ধি ৰাখে খেৰৰ পাথৰে ॥
মাকৰাই মেৰু-শৃঙ্গ ভাঙ্গিবাক পাৰে ।
সাম্ভুৰি পিপৰা পাৰ হয় কি সাগৰে ॥ ১৬৪
এৰি আন কথা ঝাণ্টে উঠিয়ো দদাই ।
দেখা সেনাগণ কেন মতে আসে ধাই ॥
লগাওঁ আউল জাউল শৰ বৃষ্টি কৰি ।
পাচে খেদি খেদি মই কাটোঁ। ধৰি ধৰি ॥ ১৬৫
একেসে কাৰ্য্যেতে মোৰ কাম্পে হৃদি-তনু ।
প্ৰথম যুদ্ধত মোৰ কাটা গৈলা ধনু ॥

যাবদেক ধনু মাগোঁ সূৰ্য্যত কাৰুণ্যে।
তাবদেক সাৱধান থাকা তুমি ৰণে॥ ১৬৬
এহিমতে দিলা লৱে কুশক উত্তৰ।
আচমন কৰি ভৈলা শুদ্ধ কলেৱৰ॥
কৃতাঞ্জলি হুয়া অৱনত কৰি কায়।
কৰিলন্ত স্তুতি সূৰ্য্য দেৱক যে চায়॥ ১৬৭
হুয়োক প্ৰসন্ন প্ৰভু নামে দিবাকৰ।
চৰাচৰ নৰ চৰাচৰ হিতকৰ॥
নমোঁ দিনপতি নমোঁ ত্ৰৈলোক্যৰ নাথ।
নমোঁ ৰবি সমস্ত জ্যোতিৰ পৰমাৰ্থ॥ ১৬৮
নমোঁ সপ্ত তুৰঙ্গম সজ্জনৰ দীপ।
নমোঁ ৰাগ তিকণ্টিকা জগত প্ৰদীপ॥
নমোঁ সুবৰ্ণৰ বৰ্ণ সহস্ৰ কিৰণ।
নমোঁ ভগৱন্ত সূৰ্য্য স্বৰূপ কাৰণ॥ ১৬৯
নমোঁ ঋক যজু শাম অথৰ্ব্ব নায়ক।
নমোঁ বিষ্ণুৰূপ দেৱ বাঞ্চিত দায়ক॥
অচিন্ত লোকৰ তুমি কুশল কাৰণ।
অষ্টাঙ্গে প্ৰণামোঁ প্ৰভু তোমাৰ চৰণ॥ ১৭০
জয় মুনি বদতি শুনিয়ো জন্মিজয়।
লৱৰ কাতৰে সূৰ্য্য ভৈলন্ত সদয়॥
শৰীৰত বল দিলা অসংখ্য প্ৰমাণ।
সুবৰ্ণে ৰচিত দিলা দিব্য ধনুখান॥ ১৭১

সুবর্ণ পাখীয়া শৰ দিলা বহুতৰ।
অনেক যক্ষৰ চিহ্ন ধনুৰ উপৰ ॥
দৃঢ়তৰ গুণগাছ তাত দিয়া আছে।
তাক দিয়া সূর্য্য অন্তর্ধ্যান ভৈলা পাচে ॥ ১৭২
ধনু পায়া লৱৰ হৰিষ ভৈলা মন।
হাঁসিয়া কুশক চাই বুলিলা বচন ॥
এবেসে মনৰ মই প্ৰমাদ এৰাইলোঁ।
ঋষি উপদেশে মই দিব্য ধনু পাইলোঁ ॥ ১৭৩
একেশ্বৰে পাৰোঁ মই আৰু তুমি সখা।
আজি সমৰত মোৰ পৰাক্ৰম দেখা ॥
অনন্তৰে লৰিলা সীতাৰ দুই শিশু।
সাক্ষাতে দেখিয়ো যেন বায়ু বিভা বসু ॥ ১৭৪
ৰামৰ কটক লক্ষ্মণৰ প্ৰতিপাল।
মাজত বসিলা দুই সীতাৰ চৱাল ॥
শৰে হানি সেনাগণ কাটিলা সকল।
পৰ্ব্বত উপৰে যেন বৰষিলা জল ॥ ১৭৫
যিবেলাত ৰণত পশিলা দুয়ো ভাই।
হুলস্থূল আন্দোল মিলিলা সেহি ঠাই ॥
দুই মত্ত সিংহ যেন আন্দোল কৰিলা।
অমৃত মথন্তে যেন সাগৰ কম্পিলা ॥ ১৭৬
মৰণক ডৰে সেনা সমস্তে পলাইলা।
দণ্ড চাৰি পন্থ যাই অন্তৰি ৰহিলা ॥

কালজিত লক্ষ্মণ ৰহিল দুই বীৰ।
কোপে অপমানে কাম্পে দুহান শৰীৰ ॥ ১৭৭
কালজিতে বোলে সেনা পলায় কি কাৰণ।
পলাব নিদিবা হাক দিয়াহা লক্ষ্মণ ॥
হেন শুনি কটকেও খেদি দিলা ৰণ।
এক্ষণে শিশুক নিবো যমৰ ভুৱন ॥ ১৭৮
ছয় শত চল্লিশ হাজাৰ হস্তীচয়।
আশি কোটি শত ৰথ নবৈৰ কোটি হয় ॥
একো একো হস্তী ৰাখে দশখান ৰথ।
একো একো ৰথে ৰাখে ঘোৰা একশত ॥ ১৭৯
একো একো ঘোৰা ৰাখে শতেক পদাতি।
এক পদাতিয়ে ৰাখে শত বাৰুৱতী ॥
এহি মতে বাঢ়ি সমদলে দিলা ধাৰ।
চৌপাশে আৱৰি বোলে ধৰ ধৰ মাৰ ॥ ১৮০
শেল যে শকতি গদা চক্র ও তোমৰ।
পাশ পাশুপত্র বৰিষন্ত নিৰন্তৰ ॥
আৰো আন অস্ত্রগতি লক্ষিতে নপাতি।
একে জোপে শতেক সহস্রে মাৰে বেঢ়ি ॥ ১৮১
হেন দেখি কোপে মাতিলন্ত সীতা-সুত।
একক অনেকে যুঁজে কিনো বিপৰীত ॥
থাক আজি বিনাশ কৰিবো এতিক্ষণে।
এহি বুলি নাদ কৰিলন্ত ঘোৰ ৰণে ॥ ১৮২

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

শত শৰ হানি মাৰিলেক শত প্ৰাণী।
দুই শত মাৰে দুই শত শৰ হানি ॥
সহস্ৰক সহস্ৰে অযুতে অযুতে।
হেন মতে সেনা মানে মাৰিলা বহুতে ॥ ১৮৩
অসংখ্যাত গজ বাজী মৰিলন্ত হয়।
ৰামৰ সেনাৰ বৰ ভৈলা পৰাভয় ॥
লৱৰ দেহাত ক্ষত ভৈলা আসৰিষ।
হেন বেলা লৱে হানিলেক দশোদিশ ॥ ১৮৪
কুশক নেদেখি লৱে গুণন্ত মনত।
দুইকো দুই নেদেখন্ত ঘোৰ সমৰত ॥
হেন চিন্তা মনত কৰন্ত যেবে লৱে।
বুদ্ধি কৰি লৱৰ ধনু নিলেক দানৱে ॥ ১৮৫
ৰাৱণৰ মমা বুদ্ধিমন্ত্ৰী তাৰ নাম।
সেহিতো নিলেক ধনু অতি অনুপম ॥
ৰামত যোগাইবে নিয়া হেন অভিলাষ।
লৱে দেখি বোলন্ত পাপিষ্ঠ নপলাস ॥ ১৮৬
থাক থাক পাপিষ্ঠ দুৰ্ম্মতি ধনু-চোৰ।
হেন জানো যমে পাত মলচিলা তোৰ ॥
এবেসে জানিলোঁ তোৰ বিধি ভৈলা বক্ৰ।
এহি বুলি লৱে পাচে তুলি লৈলা চক্ৰ ॥ ১৮৭
আজি তোক মাৰিবো ৰাখন্তা নাহি কেৱ।
চক্ৰ ধৰি লৱে আকাশক দিলা দেৱ ॥

কুপতিক দেখি যেন সেনপক্ষী যায়।
আকাশত লৱ ফুৰে চটক পৰায়॥ ১৮৮
সেনাগণে দেখে লৱ ফুৰে আকাশত।
সৰ্ব্ব লোকে বোলে জানোঁ মৰে উপৰত॥
কতো ধনু পাতে কতো পাৰে দীৰ্ঘ ৰাৱ।
কতো কতো বাৰু পাতি থাকে সৰ্ব্ব গাৱ॥ ১৮৯
কতো কতো পলাই ৰথৰ তল ভৈলা।
কতো কতো লৱৰি দূৰক লাগি গৈলা॥
কতো কতো শৰ ফুটি নোৱাৰে লৰিতে।
ভয়াতুৰ সেনামানে পৰিলা ভূমিতে॥ ১৯০
ৰামৰ সুগ্ৰীৱ মন্ত্ৰী প্ৰিয় অদভুত।
সেহি থানে আছন্ত তাহান দশ-সুত॥
একে বাৰে ধাইলা সৱে ধনু শৰ ধৰি।
দশৰো শুনিয়ো নাম ভিন্ন ভিন্ন কৰি॥ ১৯১
একৰ নাম যিটো প্ৰেম যে অপৰ।
সুযাত্ৰা সুদ্ৰাহা দুয়ো তুল্য ধনুৰ্দ্ধৰ॥
চন্দ্ৰসেন সুশেন মুষল কেতু ভয়।
দশবীৰে লৱক হানিলা শৰ চয়॥ ১৯২
অনন্তৰে দশবীৰে হানিলেক শৰ।
কাটিলেক চক্ৰপাত লৱৰ হাতৰ॥
দেখি লৱে পৰিঘক তুলি লৈলা হাতে।
দশকো সম্মুখি বীৰ সীতা সুতে মাতে॥ ১৯৩

শুনা বীৰগণ অৰে আমাৰ বচন।
হেন জানা একেলগে দশৰো মৰণ॥
এতেক বোলন্তে আসি পৰিলা গাৱত।
সুগ্রীৱৰ দশ পুত্র একেলগে হত॥ ১৯৪
মন্ত্রীৰ পুত্রক মাৰি চাহি আছে লৱে।
দেখিলেক ধনু চোৰ দুর্জ্জন দানৱে॥
গদা গোট ধৰি যত বল আছে মানে।
লৱৰ মুণ্ডত কোব দিলা বৰ টানে॥ ১৯৫
বলৱন্ত দানৱৰ বৰ চোট পাই।
মূর্চ্ছা গৈয়া লৱ পৰিলেক সেহি ঠাই॥
অচেতনে পৃথিবীত মুহূর্ত্তেক মানে।
আছিলেক সীতা-সুত পৰি সেহি থানে॥ ১৯৬
কতো বেলি স্বস্থ ভৈলা সীতাৰ চৱাল।
পৃথিবী কম্পাই উঠিলেক সেহি কাল॥
বিপৰীত অপমানে আছে হৃদি ভেদি।
কুঞ্জবাণ ধৰি ৰাক্ষসক গৈলা খেদি॥ ১৯৭
উৰুত চৰণ দিয়া ধৰিলেক টানি।
কাটিলেক মুণ্ডগোট কুঞ্জবাণ হানি॥
দানৱৰ গৰ্ব্ব ক পাইলেক সিতো ধনু।
বিপৰীত হাৰ শৰে মঞ্চ ভৈলা তনু॥ ১৯৮
এবেসে মৰণ মোৰ খণ্ডিলা বিষাদ।
কটকক চাই পাচে তেজিলন্ত নাদ॥

ইঘৰে সিঘৰে যেন লাগিলেক জুই।
ক্ষণমাত্রে পুৰি যায় প্রজ্বলিত হুই॥ ১৯৯
সেহিমতে লৱে সেনাগণ ধৰি মাৰে।
পলায় বিভঙ্গে সেনা ৰহিতে নপাৰে॥
জয় মুনি বোলে শুনা জন্মিজয় ৰায়।
কিছু কিছু কহিলোঁ লৱৰ মুনি সাই॥ ২০০
তান জ্যেষ্ঠ ভাই কুশে কৰিলেক যত।
সি সব্ব কাহিনি কহোঁ তোমাৰ আগত॥
লক্ষ্মণৰ সেনাত পশিলা কুশ বীৰ।
বিস্তৰ সেনাক নিলা যমৰ মন্দিৰ॥ ২০১
লক্ষ্মণক লাগি কুশে বৰ কোপে ধাইলা।
হস্তীক দেখিয়া যেন সিংহে জাম্প দিলা॥
লক্ষ্মণে দেখন্ত কুশ বীৰ আসে ধায়।
মহাবেগে আসে যেন গড়ুৰ পৰয়॥ ২০২
তেতিক্ষণে ধনু ধৰি কর্ণমানে টানি।
ভেদিলা কুশৰ হৃদি পঞ্চ শৰ হানি॥
হৃদয়ত পঞ্চ শৰ পৰি কুশবীৰে।
লক্ষ্মণক সম্বুধি মাতন্ত ধীৰে ধীৰে॥ ২০৩
সাধু সাধু লক্ষ্মণ যে বীৰ ধনুর্দ্ধৰ।
খানিতেক যুজিয়ো কেমন বলীয়াৰ॥
এহি বুলি কুশে হানিলেক পঞ্চ শৰ।
বায়ুত অধিক গতি বেগ খৰতৰ॥ ২০৪

সেই শৰে লক্ষ্মণক খেদি লাগ পাই ।
দণ্ড দুই পথ মানে নিলা উকুৱাই ॥
অতিশয় শৰৰ বেগত চাবি হয় ।
ফুৰণি দেখিয়া অতি পাইলা অতি ভয় ॥ ২০৫
মৃতকৰ আকাৰে পৰিলা সেহিক্ষণে ।
আন ৰথ খান অতি উঠিলা তেখনে ॥
কোপ অপমানে পাচে সুমিত্ৰাৰ সুত ।
দুই পাত শৰ বাচি লৈলন্ত ক্ৰোধত ॥ ২০৬
কৰ্ণমানে টানিয়া মাৰিলা দুই শৰ ।
কাটিলা কবচখান কুশৰ গাৱৰ ॥
কীৰিটি আছয় যেবে কুশৰ ললাটে ।
লক্ষ্মণে কাটিলে তাক শৰ এক পাতে ॥ ২০৭
কাটিলা কবচ ভৈলা উদাস শৰীৰ ।
চোঞ্চ কাৰা সৰ্প যেন ভৈলা কুশবীৰ ॥
উপহাস্য কৰি পাচে মাতে বীৰ কুশে ।
কবচ সহিতে যুঁজে নিস্ফল পুৰুষে ॥ ২০৮
অকাৰ্য্যত কবচৰ মিছা বহোঁ ভাৰ ।
তাক কাটি মোক আজি কৰিলা উদ্ধাৰ ॥
তোহোঁৰ দেখোহেঁ৷ বৰ কত কত গহ ।
তোক আজি বিনাশিবোঁ খানিতেক সহ ॥ ২০৯
এহি বুলি কুশে হানিলেক অগ্নি-বাণ ।
জ্বলিলেক বহ্নি যেন প্ৰদীপ সমান ॥

যিবা ৰথত চৰিয়া আছিল লক্ষ্মণ।
লাগিল অগনি ভষ্ম ভৈলা তেতিক্ষণ॥ ২১০
কোপিত অগনি যেন জ্বলি সমুদায়।
ফাগুণ চৈত্ৰত যেন বন পুৰি যায়॥
কাহাৰো মুণ্ডত শৰে লাগিলেক জুই।
আজোৰ পিজোৰ কৰে বিমূৰ্চ্ছিত হুই॥ ২১১
কাহাৰো দাৰিত কাৰো গাৰৰ কাপোৰে।
কতো পলায় কতো পুৰি আৰাৱক কৰে॥
কতো কতো ঘোৰাৰ লাঞ্জত জুই লাগি।
আগক নচলে পাচ ভৰি পলায় ভাগি॥ ২১২
দণ্ড ছত্ৰ চিহ্ন সবে পতাকা চিৰল।
নানাবিধ অলঙ্কাৰ দহিলা সকল॥
জানিলা লক্ষ্মণে সেনা পৰিলা বিস্তৰ।
তেতিক্ষণে ধৰিলন্ত বৰুণৰ শৰ॥ ২১৩
বৰুণৰ শৰত সদায় বহে পানী।
নুমাইলা অগনি বৰুণৰ শৰ হানি॥
নুমাইলা অগনি হেন কুশ বীৰে দেখি।
হানিলেক বায়ুবাণ খানিকো নাপেখি॥ ২১৪
কেহোঁ উৰে কেহোঁ পৰে কেহোঁ ভয়ে মৰে।
উৰিয়া কটক সব আকাশত ফুৰে॥
হেন দেখি কালজিত বীৰ গৈলা ধাই।
তুমি আছা এহি থানে লক্ষ্মণ উৰাই॥ ২১৫

আৱৰ নযাস বুলি কালজিতে ধাইলা।
সাগৰৰ ঢউ যেন কাষৰে বুৰিলা ॥
দুগ্ধৰ চৱাল দেখোঁ এতমান সাস।
শিয়ালত সিংহ ভৈলা পৰ্ব্বতত চাষ ॥ ২১৬
যাবদেকে লৱে লাগ নধৰয় মানে।
সকল ভাৱনা চুৰ কৰিবো এক্ষণে ॥
এহিসে ৰামৰ সেনা মাৰিলি সকল।
তোক মাৰি দিবো আজি তাৰ প্ৰতিফল ॥ ২১৭
মোহোৰ হাতত বৰ কষ্টেসে জীৱস।
সুধা কলসক পাইলে হেনসে পিয়াস ॥
হেন শুনি হাঁসি কুশে বুলিলা বচন।
কতেক তেণ্টস দুষ্ট কাকৰ লক্ষণ ॥ ২১৮
যুঁজিবাক খোজা যেবে তাক নেদোঁ হাক।
আতিবে পাৰন্তে কোণে এৰি আছে কাক ॥
বল্কস মাত্ৰক একো কাৰ্য্য নোৱাৰস।
পানী খাই তই দধি উগাৰ চাৰস ॥ ২১৯
অকৰ্ম্মা বচন বুলিবাক নাই লাজ।
শুনি চোৰা ছাগ কত কত নাই কাজ ॥
কলাগোটে কিসে কানৰ বহে ভাৰ।
যুদ্ধক নজানি মিছা বচন তোমাৰ ॥ ২২০
তোহোৰ গাৱত যদি আছে মুনি সাই।
আগত কটক মাৰে মোৰ ছোট ভাই ॥

তোক সেনাপতি পাতিলেক কোন জনে।
বিস্তৰ ৰটস জিহ্বা কাকৰ লক্ষণে ॥ ২২১
তোৰ জিহ্বা কাটোঁ মই এই শৰ পাত।
আছয় শকতি যেবে তই তাক কাট ॥
এহি বুলি কুশে মাৰিলেক এক শৰ।
কালজিতৰ পশিল যে মুখৰ ভিতৰ ॥ ২২২
কাটিলেক জিহ্বাখান সেই শৰ হানি।
কালৰ মুখৰ তেবে নোলাৱয় বাণী ॥
হেন দেখি কুশ বীৰে কৰন্ত বিগুটি।
তুমি বৰ ধৰ্ম্মশালী ভৈলা সেনাপতি ॥ ২২৩
শুনিয়াছোঁ মই তই জান মৌনব্রত।
কোনেবা শিখাইলা মৌন যুদ্ধ সময়ত ॥
তথাপিতো কালজিত বীৰে কৰে ৰণ।
পুনৰপি কুশে হস্তে ধৰিলেক বাণ ॥ ২২৪
দুখান হস্তক শৰে ভেদিলা দুনাই।
নাগপাশে বন্দী যেন এৰাইতে নৰয় ॥
পুনৰপি কুশে অৰ্দ্ধচন্দ্ৰ বাণ ধৰি।
কাটিলেক শৰ গোট অতি শীঘ্ৰ কৰি ॥ ২২৫
কালজিত সেনাপতি হত ভৈলা ৰণে।
থাক থাক কুশ বুলি ধাইলা লক্ষ্মণে ॥
হানিলা বিস্তৰ শৰ সুমিত্ৰাৰ সুত।
আছোক কহিবো তাক দেখি অদভুত ॥ ২২৬

শাল তাল বৰ বৃক্ষ অথাকে হানয়।
হেনকালে লক্ষ্মণৰ ভেদিলা হৃদয়॥
ডাবৰ খৰগ কুশে আনিলেক ধৰি।
সবাকো কাটিলা কুশে খণ্ড খণ্ড কৰি॥ ২২৭
শৰ কাটি আনন্দ কৰন্ত সীতা-সুত।
কৰিলন্ত সিংহনাদ অতি অদভুত॥
ধনু ধৰি গুণক যে মাৰ্জ্জিলা পুনৰ।
যুৰিলেক বাল্মীকি ডিবাৰ পঞ্চ শৰ॥ ২২৮
শগুণৰ পাখি চাইলা সনাইবাৰ শৰ।
সম্যকে বাসুকী সৰ্প সম পটন্তৰ॥
জ্বলন্ত অগণি যেন দেখি সেহি প্ৰায়।
হেন শৰে লক্ষ্মণৰ ভেদিলা হৃদয়॥ ২২৯
কুশৰ দাৰুণ শৰ প্ৰহাৰক পাই।
মূৰ্চ্ছা গৈয়া লক্ষ্মণ পৰিলা সেহি ঠাই॥
ৰথে সমে সূৰ্য্য যেন আকাশক এৰি।
নিজ ৰশ্মি এৰি পৃথিবীত থাকে পৰি॥ ২৩০
সেই সময়ত অসংখ্যাত গজ-বাজী।
কুশক যুঁজিবে লাগি ভেণ্টিলেক সাজি॥
হেন দেখি খাণ্ডা বাৰু ধৰি কুশ বলী।
হস্তী আদি কৰি সৱ সৈন্য ৰণস্থলি॥ ২৩১
বিস্তৰ কটক পৰি সুধা ভৈলা ঠাই।
ৰণ জিনি দুয়ো ভাই ভৈলা এক ঠাই॥

আপোনাৰ অস্ত্ৰ শস্ত্ৰ লৈলা দুয়ো যত।
থাকিলেক দুয়ো বীৰ নিৰ্ভয় মনত ॥ ২৩২
জয় মুনি বোলে শুনা জন্মিজয় ৰায়।
লক্ষ্মণ শত্রুঘ্ন পৰিল যে দুয়ো ভাই ॥
সকল সেনাক মাৰিলেক সীতা-সুত।
পাচে যেন কথা ভৈলা শুনিয়ো প্ৰস্তুত ॥ ২৩৩
সেহি বেলা ৰামদেৱ গঙ্গাৰ কাষৰে।
সঁজাইলেক ঘৰ সব অনেক বাসৰে ॥
ঋষি লোক সহিতে আছন্ত সেহি ঠাই।
ৰামে হেন বুলিলেক ভৰতক চাই ॥ ২৩৪
শুনিয়ো ভৰত বাপু দূত পঠাও গৈয়া।
নাসিলা লক্ষ্মণ শত্রুঘনক জীয়ায়া ॥
এবে তৈতে জীয়ে ঘোৰা ধৰ দুই চাৱা।
ঝাণ্ট কৰি দূত পঠাই বাৰ্ত্তা সৱ লোৱা ॥ ২৩৫
তিনিও লোকত যত মুনিষ প্ৰধান।
কেহো নাহি বীৰবৰ লক্ষ্মণ সমান ॥
কুপিত লক্ষ্মণ যদি সোপানত দেখি।
বিনা যুদ্ধে মাৰিবেক আছে কত লেখি ॥ ২৩৬
সেইমতে লক্ষ্মণে বিস্তৰ সেনা লই।
ভ্ৰাতৃৰ সন্তাপে যুদ্ধ কৰিলন্ত যাই ॥
নাহি আন সহায় চৱাল দুই জন।
লক্ষ্মণক ভয় হস্তে লৈলেক শৰণ ॥ ২৩৭

সমৰ ভূমিত লক্ষ্মণৰ ক্ৰোধ দেখি ।
পলাইলা চৰাল দুই সমৰ উপেখি ॥
তাক যাস্তে খেদি নিলা লক্ষ্মণ বোপাই ।
কৰন্ত কাতৰ তাৰ মাতৃ লাগ পাই ॥ ২৩৮
স্বভাৱতে স্ত্ৰী জাতি ৰচন কোমল ।
আক পুত্ৰ ভঙ্গ দেখি ভৈলেক বিকল ॥
অনেক কাতৰ কিবা কৰে তাৰ থান ।
সি কাৰণে লখাইৰ বিলম্ব এতমান ॥ ২৩৯
সফল চাৰাল দুই দাৰুণ নিৰ্ভয় ।
মোৰ নাম শুনিয়া তথাপি ধৰে হয় ॥
লক্ষ্মণৰ যত কথা চাৰালে নাজানে ।
মৰিবাক ডৰ নাই ঘোৰা ধৰি আনে ॥ ২৪০
অঙ্গদ সুগ্ৰীৱ বিভীষণ হনুমন্ত ।
একে একে ত্ৰিভুৱন জিনিতে পাৰন্ত ॥
তাসম্বাক নগনি আমাৰ ঘোৰা ধৰে ।
কালে আসি গ্ৰাসিলে আপোন দোষে মৰে ॥২৪১
ঝাণ্ট কৰি ভৰত পঠাও দূতলোক ।
লক্ষ্মণৰ কথা আনি জানায়োক মোক ॥
ৰামৰ আদেশ বাণী শুনিয়া ভৰতে ।
পঞ্চ জন দূত আনি যোগাইলা আগতে ॥ ২৪২
দেখিতে সুন্দৰ অতি ৰহস্য কথাতে ।
আদেশ দেৱতা বুলি নমিলন্ত মাথে ॥

প্ৰণাম কৰিয়া কৰযোৰে ভৈলা থিৰ।
ৰামে দেখি বোলন্ত যে হৌক চিৰঞ্জীৱ ॥ ২৪৩
শত্ৰুঘন সন্তাপে লক্ষ্মণ গৈলা ধাৱে।
মোহোৰ বচনে তাক আনিয়ো সত্বৰে ॥
লক্ষ্মণত কহিবা মোহোৰ হেন বাক।
সহিব পাৰন্তে যেন নমাৰে চাৱাক ॥ ২৪৪
পৰৰ পুত্ৰক দয়া যি জনে কৰন্ত।
অন্তকালে হৰে সিন্তো ধৰ্ম্মী পুত্ৰৱন্ত ॥
সি কাৰণে পৰৰ পুত্ৰক দয়া মোৰ।
নজানিয়া জানো মাৰে যাসত সত্বৰ ॥ ২৪৫
অপুত্ৰক মই পৃথিবীত ভৈলোঁ জাত।
নেদেখিলোঁ পুত্ৰ-মুখ জানকী সীতাত ॥
যি কালত বনে গৈলা সীতা গৰ্ব্ভৱতী।
জানোবা তাহাৰ ভৈলা দুগুটি সন্ততি ॥ ২৪৬
তথাপি প্ৰবন্ধে পৈয়া চিনিবা আকাৰ।
কিবা মোৰ থান কিবা জানকী সীতাৰ ॥
তথাপিও কিছু যদি নাহি পৰিচয়।
প্ৰবন্ধে শুধিবা তাত কাহাৰ তনয় ॥ ২৪৭
মহা বলৱন্ত বহু লক্ষ্মণৰ প্ৰজ্ঞা।
তান আগে তৃণবৎ বৰ বৰ ৰাজা ॥
সিটো দুই চাৱাল যে অনাথ পৰায়।
সি কাৰণে নমাৰি তাক বান্ধিতে যুৱায় ॥ ২৪৮

আগ পাচ শুধি তাক আনিবেক ধৰি।
আদেশ পাই দূত গৈলা নমস্কাৰ কৰি॥
জয় মুনি বদতি শুনিয়ো নৰেশ্বৰ।
হেন আজ্ঞা ভৈলা যেবে দূতক ৰামৰ॥ ২৪৯
সেই বেলা ৰণ ভঙ্গ আইলা সেনাগণ।
ত্ৰাহি ত্ৰাহি ৰামদেৱ তোমাৰ চৰণ॥
কুশ-লৱ-শৰে ফুটি হত সমুদায়।
সকল শৰীৰ ফুটি তেজ বহি যায়॥ ২৫০
বিমুকুত কেশে কেহোঁ নিপিন্ধয় বস্ত্ৰ।
কেহোঁ কেহোঁ পালটাই ধৰি আছে অস্ত্ৰ॥
লক্ষ্মণৰ সঙ্গে সেনা পাইলা পৰাভৱ।
চাৰিও দিশত দেখে লৱ কুশময়॥ ২৫১
কুশত লৱত বৰ ভৈলন্ত তৰাস।
অযোধ্যাত থাকিবাৰ নকৰন্ত আশ॥
ৰাখা ৰাখা প্ৰভু বুলি নমিলন্ত মাথে।
যুদ্ধৰ স্বৰূপ কথা কহিবো তোমাতে॥ ২৫২
তোমাৰ আদেশে যে লক্ষ্মণ গৈলা লৰি।
যি থানত শত্ৰুঘন বীৰ আছে পৰি॥
শত্ৰুঘন অৱস্থাক দেখিয়া লক্ষ্মণে।
লৱক কুশক যুদ্ধ দিলা তেতিক্ষণে॥ ২৫৩
তোমাৰ লক্ষ্মণ ভাই কটক সহিত।
কুশৰ শৰত ফুটি ভৈলা জৰ্জ্জৰিত॥

অশোক পলাশ যেন মদাৰ শিমলি।
কাঞ্চন ৰতন যেন শোভে ৰণস্থলি ॥ ২৫৪
কুশৰ শৰত ফুটিলেক সেনা চয়।
দেৱ কি মনুষ্য তাৰ নাহি পৰিচয় ॥
বজ্রৰ প্রহাৰ নগনয় যিটো জন।
সেই বীৰ শৰ ফুটি কৰিলা শয়ন ॥ ২৫৫
সমুদায় কটক মাৰিলা দুই ভাই।
তেবেসে লক্ষ্মণ সংগ্রামক গৈলা ধাই ॥
যুদ্ধ এৰি দয়া কৰি বোলন্ত লক্ষ্মণে।
দোষ এৰোঁ ঘৰে যাস নমৰ পৰাণে ॥ ২৫৬
তোমাৰ সোদৰ বীৰবৰ হেন থান।
দয়া কৰি লক্ষ্মণে যে দিলা প্রাণ-দান ॥
লক্ষ্মণৰ বাণী শুনি কুশৰ উত্তৰ।
তোমাক মেলানি দিলোঁ তুমি যাহ ঘৰ ॥ ২৫৭
ৰামত কহিবা গৈয়া বচন সন্দেশ।
নিজ প্রাণ ৰাখি আইলোঁ তোমাৰ যে পাশ ॥
প্রথমতে মাৰিলোঁ তোমাৰ এক ভাই।
মৰিবাক লাগি তুমি আসিলা দুনাই ॥ ২৫৮
সিকাৰণে দয়া মোৰ ভৈলা হৃদি-মাজ।
প্রাণ ৰাখি যোৱা তুমি এৰি লাজ কাজ ॥
হেন শুনি কুপিলন্ত তোমাৰ সোদৰ।
হৃদয়ত কুশৰ মাৰিলা সাত শৰ ॥ ২৫৯

হৃদয়ত পৰি শৰ পিঠি বাজ হুই ।
যেন সৰ্পৰাজে বিতলত লৈলা ঠাই ॥
কতো বেলি স্বস্থ ভৈলা কুশ মহা বীৰ ।
বতাসৰ কল যেন কাম্পয় শৰীৰ ॥ ২৬০
কোপে অপমানে পাচে শৰ ধনু ধৰি ।
লক্ষ্মণক কুশে তাৰিলেক দৃঢ় কৰি ॥
সেহি শৰে লক্ষ্মণৰ ভেদিলেক গাৱে ।
কুশ গচ্চ দিবে সন্ধি নথাকিল গাৱে ॥ ২৬১
বিস্তৰ যুদ্ধক কৰিলন্ত যে লক্ষ্মণে ।
কুশৰ শৰত মূৰ্চ্ছা গৈলন্ত তেখনে ॥
লক্ষ্মণ পৰিল সেনা বিকল সকল ।
কাণ্ডাৰী নভৈলে যেন নৌকা তলবল ॥ ২৬২
ভূমিত লক্ষ্মণ প্ৰভু থাকিলেক পৰি ।
দশোদিশে সেনা পলাইলেক লৰৰি ॥
শত্ৰুঘন লক্ষ্মণ পৰিল দুই ভাই ।
বৰ কষ্টে প্ৰাণ ৰাখি আসিলোঁ পলাই ॥ ২৬৩
এৰিয়োক ব্ৰত যুজিবাক হোৱা সাজ ।
যেবে প্ৰভু ৰাখিবা অযোধ্যা নিজ ৰাজ ॥
যদি বোলা আন বীৰ যাওক সমৰে ।
ইন্দ্ৰ সম বীৰক যে কটাক্ষ নকৰে ॥ ২৬৪
দূতৰ বচন হেন শুনিয়া নৃপতি ।
হা ভাই বুলি মূৰ্চ্ছা গৈলন্ত তহিতি ॥

নাহিকে চেতন জ্ঞান নাহিকে নিশ্বাস।
কান্দিয়া ভৰতে যাই চাপিলন্ত পাশ ॥ ২৬৫
ৰামক বসাইলা আঙ্কোৱালি তুলি ধৰি।
মাথাত ঢালিলা জল আথবেথ কৰি ॥
আখি মুখ মুচিলেক হাতে পানী লই।
হা দৈব বিধি ভৈলা হেন সে বিলাই ॥ ২৬৬
শুনিলা সমৰে হত ভৈলা দুই ভাই।
তাক শুনি ৰাম মূৰ্চ্ছা গৈলা সেহি ঠাই ॥
চাৰি ভাইৰ দুই ভাই একে লগে হত।
কোন ভোগ ভুঞ্জোঁ মই থাকি অযোধ্যাত ॥ ২৬৭
এতেক বোলন্তে ৰাম পাইলন্ত চেতন।
কান্দিয়া ভৰতে হেন বুলিলা বচন ॥
এবে কোন কাৰ্য্যে প্ৰভু কৰা অসন্তোষ।
আপুনি জানাহা প্ৰভু আপোনাৰ দোষ ॥ ২৬৮
ইষ্ট বন্ধু বান্ধৱে সমস্তে দিলা হাক।
তথাপিতো বনবাসে পঠাইলা সীতাক ॥
যি কালত বনবাসী ভৈলা সীতা সতী।
সেহি কালে আপদক লভিলা সম্প্ৰতি ॥ ২৬৯
যিহেতু তোমাৰ বোল বাধিতে নপাৰি।
লক্ষ্মণে থৈলেক বনে জনক-জীয়াৰী ॥
সিকালত মৰিবাক তান ভৈলা ইচ্ছা।
হেন জানা আমাসাৰ জয় হেতু মিছা ॥ ২৭০

সেই ধৰি লক্ষ্মণৰ সুখ শান্তি নাই।
এৰিলেক প্ৰাণ কুটুম্বেও সমুদায় ॥
তাসম্বাক নেদেখিয়া আছোঁ কিবা কাজে।
দিয়োক মেলানি ময়ো যাওঁ বন মাজে ॥ ২৭১
পাৰোঁ যে চাৱাক মাৰি বহোঁ সেহি ঠাই।
নৰোঁ যেবে একে ঠাই হওঁ তিনি ভাই ॥
হেন শুনি ৰামৰ অধিক ভৈলা শোক।
হা বিধি কিনো আজি দুখ দিলি মোক ॥ ২৭২
ক্ষত্ৰি জাতি ভৈলে জানা হেন ব্যৱহাৰ।
সংগ্ৰামত মৃত্যু ভৈলে পুৰুষ উদ্ধাৰ ॥
সি কাৰণে সন্তাপক মনে দিলোঁ ঠাই।
তাসম্বাক শুদ্ধি কৰা ভৰত বোপাই ॥ ২৭৩
বিস্তৰ কটক লৈয়া যাও ঝাণ্ট কৰি।
কুশ লৱ দুই ভাইক জীয়ন্তে আনা ধৰি ॥
হনুমন্ত জাম্বুৱন্ত অঙ্গদ বিভীষণ।
সবে সাৱধানে চৱালক দিবা ৰণ ॥ ২৭৪
অধিক বুলিবো কিবা তোমাৰ আগত।
সকল প্ৰকাৰে তুমি কুশল ৰণত ॥
মোৰ দোষ গুণ যত বিচাৰ নকৰি।
ভ্ৰাতৃৰ বৈৰীক জিনি আনা ঝাণ্ট কৰি ॥ ২৭৫
ভৰত বদতি যে ৰামৰ আজ্ঞা পালি।
তোমাৰ কটক মাৰে কোথেৰ চৱালি ॥

তুমি বা অঙ্গদ বিভীষণ হনুমান।
কোনে কিবা জানা সিতো চাৱাৰ লক্ষণ॥ ২৭৬
অঙ্গদে বোলন্ত সবাহাঙ্কে আগ কৰি।
ৰামৰ কুমতি আইলা শিশুৰূপ ধৰি॥
অকার্য্যত সীতাক পঠাইলা বন বাস।
সেহিসে ক্রোধত কৰে সবাক বিনাশ॥ ২৭৭
জয় মুনি বদতি যে শুনা নৰনাথ।
সেহি বেলা যাত্রা কৰি লৰিলা ভৰত॥
হনুমন্ত সহিতে বানৰ সেনা যত।
আনো সৱ বহু প্রজা লৰিলা লগত॥ ২৭৮
হেন মতে সসৈন্যে ৰণক গৈলা চলি।
সমদলে কত বেলি পাইলা ৰণস্থলী॥
দেখন্ত ৰামৰ বহু সেনা ভৈলা হত।
ভৰতে বোলন্ত অৰে শুনা হনুমন্ত॥ ২৭৯
কিনো বীৰ লৱ কুশ দাৰুণ দুর্ব্বাৰ।
সমৰে মাৰিলা বহু কটক আমাৰ॥
দেখা শোণিতৰ নদী স্রোত বহি যায়।
হয় হস্তী ৰথ সব উটে জাজি প্রায়॥ ২৮০
কেহোঁ ঠাই গাণ্ডী কেহোঁ ঠাই আছে মুণ্ড।
কেহোঁ ঠাই হাত ভৰি পৰি আছে কান্ধ॥
কেহোঁ ঠাই খাণ্ডা বাৰু কেহোঁ ঠাই শৰ।
হেনসে বিপত্তি ভৈলা ৰাম কটকৰ॥ ২৮১

দৃষ্টি কৰি মই সৱে কটক চাহিলোঁ।
শত্রুঘন লক্ষ্মণক বিচাৰি নপাইলোঁ॥
কিবা উটি ভাসি গৈলা নাহি তাৰ থান।
ঝাণ্ট কৰি বাৰ্ত্তা লোৱা বীৰ হনুমান॥ ২৮২
হনুমন্তে বোলন্ত শুনিয়ো অধিকাৰী।
শোণিতৰ নদী পাৰ হৈবো কেন কৰি॥
যিবেলা সাগৰ পাৰ হৈলো অভ্যাসতে।
সীতাক চাহিবে হেন আছিল মনতে॥ ২৮৩
তথাপিতো যাইবো মই তোমাৰ কাৰণে।
তান দুই ভাইক গৈয়া যোগাইবো এখনে॥
ৰামৰ চৰণ মনে কৰি নমস্কাৰ।
অপ্রয়াসে নদী বায়ু-সুতে হৈলা পাৰ॥ ২৮৪
পাৰ হৈয়া দেখে গৈয়া লক্ষ্মণৰ শৰ।
ক্ষণেক অন্তৰে আছে তাহান বান্ধৱ॥
দুই ভাইক হনুমন্তে দুই হাতে ধৰি।
ভৰতৰ আগে নিলা আথবেথ কৰি॥ ২৮৫
ভৰতে দেখন্ত যে কুশৰ শৰ ঘাৱে।
মৃতকৰ থান যে চেতন নাহি গাৱে॥
ভৰতে বোলন্ত হনুমন্ত বীৰবৰ।
এবেসে জানিলোঁ মৃত্যু আছয় আমাৰ॥ ২৮৬
কটক সহিতে সাঁজি দুই ভাই আসিলা।
শিশুৰ হাতত কেন মতে বন্ধ গৈলা॥

এবে দুই ভাইক নিয়া ৰথে তুলি লওঁ।
কিছু লোক ৰক্ষা দিয়া এক পাশে থওঁ ॥ ২৮৭
আমি সবে যাওঁ সেই চাৱালক খেদি।
ভ্রাতৃৰ সন্তাপে অন্তর্গত আছে ভেদি ॥
হনুমন্ত সহিতে শুনিয়ো সর্ব্বলোক।
কোথেত চাৱাল গৈয়া দেখায়োক মোক ॥ ২৮৮
কোনবা দেৱতা যুঁজে শিশুৰূপ ধৰি।
এক্ষণে মাৰিবো তাক ঘোৰ ৰণ কৰি ॥
হনুমন্তে বোলে প্রভু শুনিয়ো ভৰত।
লক্ষ্মণক দেখি মোৰ বিস্ময় মনত ॥ ২৮৯
মেঘনাদ শৰক যে নুগুণে মনত।
হেন বীৰ হত ভৈলা শিশুৰ হাতত ॥
সেহি বেলা কুশ আসি ভৈলা উপগত।
হেন কথা কহি তৈতে দেখন্ত ভৰত ॥ ২৯০
পিঠিত শৰৰ তূণ হাতত ডাবৰ।
বাম হাতে ধনু খান অতি দৃঢ়তৰ ॥
তাত পাচে লৱ আইলা তান ছোট ভাই।
দক্ষিণ হাতত খাণ্ডা বামে ধনু লই ॥ ২৯১
ঊৰ্দ্ধক উচ্ছাই ধনু ধৰি আসে ধাই।
ঊৰ্দ্ধ যে নয়নে ওপৰক আছে চাই ॥
দেখোঁ যে দুৰ্গতি আসি মিলিলা আমাৰ।
মেঘত লুকাইল সূৰ্য্য ভৈলা অন্ধকাৰ ॥ ২৯২

অন্যো অন্যে মাৰে কাটে সবেও চেঞাই।
খুৰা জেঠা মোহা বাপ মোমাই ককাই ॥
দদা পেসা সম্বন্ধি জোঁৱাই মিত্র সাঁজি।
আমি হেৰা থাকিলোঁ ভূমিত পৰি আজি ॥ ২৯৩
যাইবাক নপাৰোঁ আৰে ধৰি নিয়া মোক।
হেন শুনি বৰ ভয় ভৈলা সৰ্ব্বলোক ॥
উসমিস কটকত ভৈলা সমুদায়।
অঙ্কুশ খসাই হস্তী দশোদিশে যায ॥ ২৯৪
বিস্তৰ হস্তীক শৰে মাৰিয়া পেলাইলা।
হাতে খোঞা মাৰি তাৰ মাহুত মাৰিলা ॥
ঘোৰা খেদি যান্তে পাচে মাৰে পদাতিক।
হেন মতে নষ্ট ভৈলা ৰামৰ কটক ॥ ২৯৫
খেদি যান্ত লৱ কুশ সীতা-সুত বীৰে।
কাটিলেক কতো খেদি গাণ্ডী মুণ্ড শীৰে ॥
লৱৰন্তে হস্তীৰ যে কাটিলা মুণ্ডতে।
কতো কোবাই মাৰিলা দন্তৰ ওপৰতে ॥ ২৯৬
অনেক সেনাক দুয়ো মাৰিলা ৰণতে।
বিপৰীত দেখি চাই আছন্ত ভৰতে ॥
সৰ্ব্বাঙ্গ সুন্দৰ ৰূপৱন্ত দুই শিশু।
সাক্ষাতে বুলিবে পাৰি বায়ু বিভা বসু ॥ ২৯৭
কাৰ্ত্তি গণপতি যেন দোভাই আছন্ত।
হেন দেখি মনে মনে গুণে হনুমন্ত ॥

বায়ু-সুতে বোলে অৰে শুনিয়োঁ আতাই।
স্বৰূপ কহিবো কথা যেন অভিপ্ৰায় ॥ ২৯৮
নাক মুখ আখি কাণ দেখিয়োঁ আকলি।
ৰামৰ ঔৰসী পুত্ৰ সীতাৰ চাৱালি ॥
হেন কথা কহি যেবে আছে হনুমন্ত।
সেহি বেলা লৱক যে কুশে বুলিলন্ত ॥ ২৯৯
আজিসে দাৰুণ ঘোৰ মিলিল সমৰ।
মই যুজোঁ তই বাপু ঘোৰা ৰক্ষা কৰ ॥
দেখা সেনাগণে কেন মতে আসে ধাই।
হেন কথা মাতে যেবে আছে দুই ভাই ॥ ৩০০
সৈন্য দেখি দুই ভাই জ্বলে অগ্নিপ্ৰায়।
সেই বেলা আগ বাঢ়ি দুয়ো গৈলা ধায় ॥
জয় মুনি বদতি যে শুনা জন্মিজয়।
তেতিক্ষণে ভৰত মিলিল সেহি ঠাই ॥ ৩০১
ভৰতক দেখি কুশে বুলিলন্ত হাঁসি।
দুই গোট মাৰিলোঁ আউৰ গোট পাইলে আসি ॥
তোমাৰ ভ্ৰাতৃৰ বৈৰী মোক বোলে কুশ।
তই নতু শোধ যেবে মোহোৰ পৌৰুষ ॥ ৩০২
কটক সহিতে মাৰিলোঁহোঁ দুই ভাই।
মৰিবাক লাগি তই আসিলি দুনাই ॥
কুশৰ বচন শুনি ভৰত বদতি।
ৰণ জিনি ঘোৰা নিবো মোহোৰ শকতি ॥ ৩০৩

দুই সম শিশু দেখি দয়ায় হৃদয়।
থাকিয়ো কল্যাণে এবে এৰি দিয়ো হয়॥
শুনি আছোঁ তোৰাৰ যে মাৱ তপস্বিনী।
অনাথৰ নাথ দুই মাৰিবো কখনি॥ ৩০৪
মাৱৰ যে কথা দুয়ো কহা স্বৰূপত।
মাৰিবে পাৰন্তে দুইকো এৰিলা ভৰত॥
তই মোৰ মাৰিলি কটক সমুদায়।
শত্রুঘন লক্ষ্মণ মাৰিলি দুই ভাই॥ ৩০৫
কৰিলোঁ সকলে ক্ষমা দোষ তাসম্বাৰ।
থাকিয়ো কল্যাণে ঘোৰা এৰিয়ো যজ্ঞৰ॥
হেন দেখি কুশে ধনু ধৰি ক্রোধ মনে।
ভৰতৰ হৃদিত ভেদিলা বৰ টানে॥ ৩০৬
আন সব যত বীৰ আছিল সিঠাৱে।
সাত পাঞ্চ শৰে বিন্ধিলেক গাৱে গাৱে॥
হনুমন্ত বীৰক বিন্ধিলা সাত শৰে।
অঙ্গদক দুই শত আত অনন্তৰে॥ ৩০৭
নলক যে শতেক নীলক পাঞ্চ শত।
সীতা-সুত কুশে ভেদিলেক এহি মত॥
তিনি সহস্রেক শৰ মাৰিলা দুনাই।
জাম্বৱন্ত বীৰক ভেদিলা সেহি ঠাই॥ ৩০৮
হৃদয়ত জাম্বৱ যে শৰ ফুটি টানে।
তমোময় দেখি ঢলি পৰিলা তেখনে॥

সেহি বেলা সীতা-সুতে হাতে ধনু ধৰি।
ভৰতৰ ধনুক কাটিলা শীঘ্র কৰি॥ ৩০৯
পুনৰপি কুশে শৰ প্রহাৰিলা যত।
কুশৰ শৰত মূৰ্চ্ছা গৈলেক ভৰত॥
হেন দেখি হনুমন্তে ধাইলা বৰ কোপে।
পৰ্ব্বত উফাৰি আনি ঊৰ্দ্ধক আটোপে॥ ৩১০
দীঘল ডাঙ্গৰ এক প্রহাৰ পৰ্ব্বত।
তুলিয়া মাৰিলা লৱ কুশৰ গাৱত॥
পৰ্ব্বত আসয় দেখি দুই সীতা-সুত।
শৰে হানি পৰ্ব্বত কৰিলা চূৰ্ণকৃত॥ ৩১১
পুনৰপি কুশে আৰু পাঞ্চ শৰ হানি।
হনুমন্ত বীৰক ভেদিলা শৰ টানি॥
শৰে ফুটি মূৰ্চ্ছা যাই পৰে কপিৰাজ।
পলাইলা কটক সব ভাঙ্গিয়া সমাজ॥ ৩১২
কতো কতো লোক পলাই গৈলা অযোধ্যাক।
কৰযোৰ কৰি বোলে নৃপতি ৰামক॥
প্রণামিয়া কহে কথা ৰামৰ আগত।
কটক সহিতে হত ভৈলেক ভৰত॥ ৩১৩
দূতৰ বচনে ৰাম বাতুল পৰায়।
একে সমৰত হত ভৈলা তিনি ভাই॥
আৰম্ভিলোঁ যজ্ঞ নভৈলেক সমাপতি।
হা কি কৰিলা বিধি মোৰ দৈব গতি॥ ৩১৪

গজ বাজী প্ৰজা সাঁজি পঠাইলোঁ বিপুল।
শিশুৰ হাতত সৱে ভৈলেক নিৰ্ম্মূল ॥
ইন্ট বন্ধু বান্ধৱক মৰাইলোঁ সকল।
সাগৰ তৰিযা গো-খোজত গৈলোঁ তল ॥ ৩১৫
এহি বুলি সন্তাপ কৰিলা হৃদি-মাজ।
বিভীষণ সুগ্ৰীৱ যুদ্ধক হোৱা সাজ ॥
অৱশেষ সেনামানে আছে যত যত।
খাণ্ট কৰি সাঁজি পাৰি আসিয়ো পাচত ॥ ৩১৬
ৰামৰ আদেশ বাণী শিৰোগত কৰি।
সাজিলেক সেনাগণ অতি শীঘ্ৰ কৰি ॥
জয় মুনি বোলে শুনা ৰাজা জন্মিজয়।
ঋষি সকলত ৰামে লৈলন্ত বিদায় ॥ ৩১৭
যজ্ঞৰ ৰক্ষক কৰি কত সেনা থৈলা।
বশিষ্ঠত আজ্ঞা লৈযা সমদলে গৈলা ॥
সসৈন্যে সহিতে তেৱে হন্তে গৈলা লৰি।
যি থানত ৰামৰ কটক আছে পৰি ॥ ৩১৮
কতো কতো মৰন্তে আছাৰে হাত ভৰি।
আৰ কতো কতো সেনা আছে পৰি পৰি।
আৰ কত পৰি আছে মৃতকৰ ভাৰে।
তেন দেখি ৰামে চিন্তা ভৈলা সৰ্ব্ব গাৰে ॥ ৩১৯
আশ্বাস কৰন্ত ৰামে অসন্তোষ মনে।
দেখন্ত চাৱাল দুই আছে এক থানে ॥

সৰ্ব্বাঙ্গ সুন্দৰ দেখি দুইৰো সম কায়া।
হেন দেখি ৰামৰ অশেষ ভৈলা দয়া ॥ ৩২০
নাক মুখ আখি দেখি হেনয় আকলি।
সীতাৰ গৰ্ব্ভত ভৈলা আমাৰ চৱালি ॥
আগ বাঢ়ি পুচি তাৰ ভাল মন্দ বুজোঁ।
জিজ্ঞাসা কৰিয়া পাচে সাৱধানে যুজোঁ ॥ ৩২১
এহি বুলি ৰাম গৈয়া চাপিলন্ত পাশ।
দুহাস্তক চাহি পাচে তুলিলন্ত হাঁস ॥
কিছু কথা পুচিবাৰ মোৰ হৈছে ইচ্ছা।
স্বৰূপ কহিবা তেবে নুবুলিবা মিছা ॥ ৩২২
কিবা জাতি তোমাসাৰ থাকা কোন ঠাই।
কিবা নাম তোমাসাৰ কোনবা বোপাই ॥
কোনে হেনমতে শিকাইলেক ধনু শৰ।
কহিয়োক কথা শোক খণ্ডায়োক মোৰ ॥ ৩২৩
লৱ-কুশে বোলে তেবে শুনা মোৰ বাক।
নকৰিবা লোভ মোহ পৰৰ ভাৰ্য্যাক ॥
পৰৰ আশাক ভঙ্গ নকৰা সমুলি।
পাইলেও এৰিবা ব্ৰাহ্মণৰ বিত বুলি ॥ ৩২৪
এহি উপালম্ভ কৰি হাঁসে দুয়ো ভাই।
তোমা সম ভয়াতুৰ সংসাৰত নাই ॥
সমৰাঙ্গ্যে মৰাই তুমি আপোনাক ৰাখা।
লোন-নাৱ তল গৈল আঙ্গুলিক চাখা ॥ ৩২৫

মোৰ জাতি কুল তুমি পোচা কিবা কাজে।
আন ক্ষত্রি জাতি হলে নোশোধয় লাজে ॥
কৰিয়োক যুদ্ধ বিলম্বক পৰিহৰি।
সুহি তেবে তোমাৰ ঘোৰাক যোৱা এৰি ॥ ৩২৬
হেন শুনি ৰামদেৱে বুলিলা দুনাই।
যেবে দোষ দেখা নিন্দা কৰিবা বোপাই ॥
তথাপিতো সুযুজিবো নপাই পৰিচয়।
হেন জানি কহিয়ো তোৰাৰ কোন আই ॥৩২৭
লৱ-কুশে বোলে অৰে শুনিয়ো আটাই।
সীতাৰ গৰ্ব্ভত জাত যমজ দোভাই ॥
পুত্ৰৱতে পালন্ত বাল্মীকি ঋষিবৰ।
বেদ-মন্ত্র শিখাই তেহোঁ দিলা ধনু শৰ ॥ ৩২৮
ৰামৰ চৰিত্র গীত গাঁও অহর্নিশে।
বনবাসে ফুৰোহোঁ ঋষিৰ উপদেশে ॥
ঋষিৰ প্ৰসাদে হেন জানিলোঁ আপুনি।
তিনি ভুবনৰ লোকে জিনিবেক কুনি ॥ ৩২৯
তোমাৰ দেখিলোঁ চিত্ত দাৰুণ দুৰ্ব্বাৰ।
সমৰত মৰাইলা যতেক পৰিবাৰ ॥
কোন গুৰু তোক শিখাইলা উপদেশ।
মিছা শৰ ধনু লই সমৰক আইস ॥ ৩৩০
আগে সমৰক আসা আটি মুটি কৰি।
আৰে কেন মূঢ় ভৈলা তাক পৰিহৰি ॥

আস কত প্ৰাণীক কিসক হেন কৰা।
পৰক মাৰিলা তুমি আপুনি নমৰা ॥ ৩৩১
কোন বেদে পাইলা তুমি ইতো কথা সাৰ।
শত্ৰু মিত্ৰ মাৰিলা সবাৰ পৰিবাৰ ॥
বংশ চেদ কৰি ৰাজা সৱে ৰাজ্য খাস।
যুদ্ধক নোৱাৰা যদি ঘৰে চলি যাস ॥ ৩৩২
জয় মুনি বদতি শুনিয়ো জন্মিজয়।
ৰামে হেন জানিলেক আপোন তনয় ॥
সীতাৰ কথাত জানি আপোন চৱালি।
ধিক ধনু শৰ বুলি পেলাইলা আছাৰি ॥ ৩৩৩
হৰি হৰি দৈব বিধি কি কৰিলা মোক।
বাপে পোৱে যুদ্ধ শুনি হাঁসিবেক লোক ॥
নিচিনি সবংশে হত শিশুৰ হাতত।
এহি বুলি মূৰ্চ্ছা গই পৰিলা ৰথত ॥ ৩৩৪
কতো বেলি মানে পাচে পাইলেক চেতন।
সুগ্ৰীৱক চাই হেন বুলিলা বচন ॥
তুমি কি জানাহা ইতো কাহাৰ চাৱাল।
যেবে জানা স্বৰূপত কহিয়ো সকল ॥ ৩৩৫
সুগ্ৰীৱ বদতি শুনিয়োক ৰামদেৱ।
অনাদিত হস্তে হৈলা আন সুহি কেৱ ॥
নজানোঁ তোমাৰ থানে দেখি কি কাৰণে।
যি জানিলোঁ সি কহিলোঁ তোমাৰ চৰণে ॥ ৩৩৬

তোমাৰ কটক যত এহি থানে আছে।
তাৰা সবে যুঁজোক আপুনি যুজা পাছে ॥
প্ৰথমতে যুজোঁ আমি তুমি থাকা চাই।
তুমি বিনে ইহাৰ সমৰে কেহ নাই ॥ ৩৩৭
ভয়ঙ্কৰ বৃক্ষ গোট তুলি লৈলা হাতে।
এহি গোটে মাৰোঁ বুলি তুলি লৈলা মাথে ॥
গছ গোট আসে দেখি সীতাৰ সন্তান।
তৃণবত কৰি বৃক্ষ কাটিলা তেখন ॥ ৩৩৮
পুনৰপি কুশ বীৰে ধনু শৰ ধৰি।
সুগ্ৰীৱ বীৰক ভেদিলেক দৃঢ় কৰি ॥
সেহি শৰে সুগ্ৰীৱ মূৰ্চ্ছিত বেশ ভৈলা।
ৰহ ৰহ বুলি নীল বীৰ খেদি গৈলা ॥ ৩৩৯
নীল বীৰ আসে দেখি সীতাৰ তনয়।
মহা কোপে আটোপে হানিলা শৰচয় ॥
কুশৰ শৰৰ যেবে প্ৰহাৰক পাই।
নীলৰ গাৱৰ হস্তে তেজ বহি যায় ॥ ৩৪০
নীলৰ যতেক তেজ পৰে ধৰণীত।
সেহি সব নীলময় দেখয় তহিত ॥
অদভুত দেখি কুশ ভৈলন্ত বিস্ময়।
কেন মতে যুঁজিবো সকলে নীলময় ॥ ৩৪১
নীল নামে এক বীৰ আছিলেক আগে।
অসংখ্যাত নীল ভৈলা মোৰ কৰ্ম্মভাগে ॥

কতো বেলি থাকি পাচে গুনিলা মনত।
ঋষিৰ প্ৰতাপ আজি দেখাবো ৰণত॥ ৩৪২
মন্ত্ৰ পঢ়ি কুশে শৰ ধৰিলা দুনাই।
কুশৰ ধনুৰ হস্তে শৰ পাত যায়॥
নীলৰ গাৱত পৰি শোষিলা শোণিত।
পাচে আন শৰে কুশে কাটিলা তহিত॥ ৩৪৩
উপাধি কৰিলা যেবে পৰিলা সমৰে।
প্ৰথমত নীল বীৰ আছে একেশ্বৰে॥
তাক কাটি পেলাইলন্ত সীতাৰ সন্তান।
ভাঙ্গিল কটক সৱ পাই বৰ টান॥ ৩৪৪
একেশ্বৰে ৰামদেৱ আছিলা তহিত।
শোকে অপমানে তান বিয়াকুল চিত্ত॥
সৱে কুটুম্বক মাৰিলোহোঁ সামৰাজে।
এবে যুদ্ধ এৰিয়া আছোহোঁ কোন কাজে॥ ৩৪৫
এহি বুলি ৰামে ধৰিলন্ত ধনু শৰ।
নবাচ নাৰিক শৰ হানিলা বিস্তৰ॥
কুশক এৰিয়া শৰ পৰে পৃথিবীত।
হেন দেখি ৰামে বৰ গুণয় মনত॥ ৩৪৬
ইহাক মাৰিবে লাগি মোৰ ভৈলা ইচ্ছা।
যত শৰ মাৰিলোহোঁ সৱে ভৈলা মিছা॥
এহিমতে ৰাম সেনা সমস্তে মৰিল।
বালিত নৰহে যেন অল্প বৃষ্টি জল॥ ৩৪৭

পুনৰপি ৰামে শৰ মাৰিলন্ত ডাতি।
দুই খান কৰি কুশে পেলাইলন্ত কাটি ॥
যত যত শৰ মানে মাৰিলা ৰাঘৱে।
সমস্তে পেলাইলা কাটি কুশে সেহি ঠাৱে ॥৩৪৮
ৰামক মাৰিলা শৰ কুশে মৰ্ম্ম স্থানে।
হলাহলি তেজ বহে নাক মুখ কানে ॥
ৰামে জানিলেক হেন দুইয়ো সোদৰ।
এবে কি কৰিবো বুলি ভৈলন্ত বিকল ॥ ৩৪৯
সীতা সম মুখ দেখি মনত বিস্ময়।
আৰু কুশ শৰে ফুটি কম্পন্ত হৃদয় ॥
এহিমতে শোক ৰামদেৱৰ গাৱত।
তমোময় দেখি ৰাম পৰিলা ৰথত ॥ ৩৫০
ৰাম হত দেখি দুয়ো কৰে সিংহনাদ।
প্ৰলয় কালৰ যেন মেঘৰ শৱদ ॥
জয় মুনি কহে জন্মেজয়ৰ আগত।
সামবাজে হত ৰাম পুত্ৰৰ হাতত ॥ ৩৫১
জন্মেজয় বদন্তি শুনিয়ো ৰাজ ঋষি।
সাক্ষাতে অমৃত কথা শুনিলোঁ হৰিষি ॥
আৰু কিছু শুনিবাক মোৰ ইচ্ছা আছে।
কহিয়োক লৱ কুশে কি কৰিলা পাছে ॥ ৩৫২
জয় মুনি বদন্তি শুনিয়ো নৰপতি।
ৰাম যেবে পৰিলেক কটক সহিতি ॥

পাচে কুশ কুতূহলে গৈলা আগবাঢ়ি।
ৰামৰ গাৱৰ অলঙ্কাৰ লৈলা কাঢ়ি॥ ৩৫৩
কেয়ুৰ কঙ্কন মণি সাত সৰি হাৰ।
কিৰিটি কুণ্ডল আন যত অলঙ্কাৰ॥
উজটি আদি কৰি আছে যত যত।
সবাকে পিন্ধিলো আনি কুশৰ গাৱত॥ ৩৫৪
লক্ষ্মণৰ অলঙ্কাৰ পাইলা যত মানে।
কাঢ়ি পিন্ধিলেক লৱ সমস্ত আপুনে॥
কুশক সম্মুখি লৱ বুলিলেক হাঁসি।
যুঁজন্তে বাণিজ্য খান মিলিলেক আসি॥ ৩৫৫
সম্প্রতি তোমাৰ যেবে অনুমতি পাওঁ।
হনুমন্ত বান্দৰক বান্ধি লৈয়া যাওঁ॥
সৰ্ব্বদায় মাৰে বান্দৰৰ কথা কন্ত।
দেখিলে মাতৃয়ে বৰ হৰিষ হৈবন্ত॥ ৩৫৬
ৰামৰ ৰথত তুমি উঠিয়োক পথে।
এতিক্ষণে ময়ো উঠো লক্ষ্মণৰ ৰথে॥
জাম্বুৱন্ত প্ৰমুখো যত সেনা পাওঁ।
মাওৰে কৌতুক হৌক বন্দী কৰি নেওঁ॥ ৩৫৭
হনুমন্তে বোলে শুনিয়োক জাম্বুবান।
দেখা কেনে কৰ্ম্ম কৰে সীতাৰ নন্দন॥
কলা ধাতু ৰাখি দুই বীৰ আছে পৰি।
এবে কি কৰিবো লৱ কুশে নেই ধৰি॥ ৩৫৮

এবেসে মনত যুক্তি পাইলোঁ খুজি লুৰি ।
চক্ষু মুদি থাকিবোহোঁ মৰা ভেশ ধৰি ॥
তথাপিতো যদি লৱ কুশে নেই ধৰি ।
ঋষিত শৰণ লৈবো কাউ বাউ কৰি ॥ ৩৫৯
জাম্বৱন্তে বোলন্ত যে নাহিকে অন্যথা ।
বৰ উপলন্ত যে আমাৰ কোন কথা ॥
সসৈন্যে যুজিও ৰামে হাৰিলা সমৰে ।
জানিবা কিসব লাজ ভালুক বানৰে ॥ ৩৬০
এতেক বোলন্তে লৱ চাপিলন্ত কোল ।
মাৰুতিৰ গলে নিয়া লগাইলেক ডোল ॥
জাম্বৱন্ত বীৰৰ গলত ডোল দিলা ।
আজুৰি পিজুৰি নিয়া ৰথত তুলিলা ॥ ৩৬১
ৰণ জিনি দুই ভাই চৰিলন্ত ৰথে ।
চন্দ্ৰ সূৰ্য্য যান্ত যেন আকাশৰ পথে ॥
মাৱৰ আশ্ৰমে গৈয়া ৰথ হন্তে নামি ।
কৰ যোৰে কহে কথা মাতৃক প্ৰণামি ॥ ৩৬২
লৱ কুশে বোলে কথা শুনিয়োক আই ।
সমৰত মাৰিলোঁ ৰামৰ চাৰি ভাই ॥
আৰু এক ৰঙ্গ আই দেখাইবো তোমাক ।
বান্ধি আনিয়াছোঁ হনুমন্ত বান্দৰক ॥ ৩৬৩
জাম্বৱন্ত বীৰ যিতো ভালুকৰ ৰায ।
দুয়োৰে বান্ধি ধৰি থৈছোঁ এক ঠাই ॥

ধন্য ধন্য পুত্র দুই মই পাইলোঁ ভেট।
এবেসে আমাৰ মন জুৰাইলেক পেট ॥ ৩৬৪
ৰামৰ চৰিত্র কথা শুনা অনুপম।
পাতক চাৰোক ডাকি বোলা ৰাম ৰাম ॥

ছবি।

ৰামচন্দ্র বধ শুনি কপালত মুষ্টি হানি
কান্দে সীতা জগত গোসানী।
বিধি কুধ্বংশ ভৈলা এহি দুখ লেখি গৈলা
আমি দোষী জগত-জননী ॥ ৩৬৫
পুত্র মোৰ ভৈল ভাল সিয়ো হৈলা যমকাল
বিধবা কৰিলা স্বামী মাৰি।
হৰি হৰি দৈব বিধি শোক তাপ দিলা হৃদি
আগে মই নগৈলোহোঁ মৰি ॥
আছিলোঁ জনক জীয়া ৰামচন্দ্রে কৰে বিয়া
মোক আনিলেক অযোধ্যাক।
পিতৃৰ যে আজ্ঞা পালি বনবাসে গৈলা চলি
পৰে গৈলা দণ্ডকা বনক ॥ ৩৬৬
পাপিষ্ঠ ৰাৱণে হৰি লঙ্কাপুৰে নিলা ধৰি
বালী বধি যমঘৰে নিলা।

সাগৰত বান্ধি সেতু রাক্ষস বধৰ হেতু
পাপিষ্ঠক ৰাঘৱে মাৰিলা ॥
লঙ্কাত কৰিলা লীলা পুনু বনবাস দিলা
দুই গুটি পুত্র ভৈলা জাত ।
বাল্মীকি ঋষিয়ে পাই আশ্রমক লৈয়া যায়
ধনু শৰ শিকাইলা বহুত ॥ ৩৬৭
কিনো মোৰ পুত্র দুই মোৰ বুকে দিলা জুই
কান্দে সীতা পৃথিবীত পৰি ।
হনুৰ গলত ধৰি কান্দে আৰ্ত্তনাদ কৰি
লঙ্কা দহি আনিলা উদ্ধাৰি ॥
হেন তই বীৰ বলী শিশুৰ হাতত পৰি
সামৰাজে মৰিলি সকল ।
এতেক বাঞ্ছিলোঁ দুখ নেদেখিলোঁ প্রভু মুখ
অন্তকালে কি দুখ আমাৰ ॥ ৩৬৮
কান্দি কান্দি কহে আই দুহানৰ মুখ চাই
তোমাৰ অৱস্থা হেন ভৈলা ।
হাতী গুছি মাখি ভৈলা গোখোজত তল গৈলা
চাৱালৰ হাতে প্রাণ গৈলা ॥
এহি বুলি সীতা সতী লৱ কুশক নমাতি
কান্দি কাটি আছন্ত তথাতে ।
হেন শুনি হনুমন্তে সীতাৰ চৰণে ধৰি
কৰিলন্ত সেৱা বায়ু-সুতে ॥ ৩৬৯

শুনা শুনা সীতা আই চাৱালত দোষ নাই
সবে দোষ ৰামৰ গাৱত।
ইষ্ট বন্ধু সহোদৰ সবাকো মাৰয় ৰণে
আপুনি মৰিলা সমৰত॥
কান্দি কান্দি যান্ত আই প্ৰভু আছে কোন ঠাই
পুত্ৰ দুহান্তক নমাতয়।
বাল্মীকি আশ্ৰম এৰি ধীৰে ধীৰে যান্ত চলি
ঘনে ঘনে দেখে তমোময়॥ ৩৭০
শুনা সভাসদ লোক কৃষ্ণ কথা শুনিয়োক
আন এৰি ভজা ঝাণ্ট কৰি।
পুত্ৰ ভাৰ্য্যা দেখা যত সবে তাত কৰে খেত
ৰাম ৰাম বোলা মুখ ভৰি॥

পদ।

জয় মুনি বদতি শুনিয়ো জন্মেজয়।
শোকে বিয়াকুলে কান্দে জগতৰ আই॥ ৩৭১
লঙ্কাত অসংখ্য যত ৰাক্ষস বধিলা।
তেবে বাপ তোমাৰ এক লোম নলৰিলা॥
সাগৰ তৰিয়া বাপ আনিলাহা মোক।
আজি কেনে দিলা মোক দাৰুণ সন্তাপ॥ ৩৭২

হা কি কৰিলি লৱ কুশ নমবিলি।
কোন দোষে হনুমন্ত বীৰক মাৰিলি॥
বুকে ভুকু মাৰি ৰণস্থলীক চলিলা।
ৰথ লৈয়া দুই ভাই পাচে পাচে গৈলা॥ ৩৭৩
জাম্বুৱন্ত হনুমন্ত মেলিলা সেহি ঠাই।
চাৰি ভাই দেখিয়া কান্দন্ত সীতা আই॥
গৰ্ব্ভৱতী নাৰী বনে থৈলাহা আমাক।
সেহি দিনা হন্তে দেখা পালোহোঁ তোমাক॥৩৭৪
ৰাৱণে হৰিলা মোক কুখ্যাতি ৰহিলা।
পুত্ৰে বাপ মাৰি মোক বিধবা কৰিলা॥
কিমতে সন্তাপ হৃদয়ত দিবো ঠাই।
কৈক এৰি গৈলি বাপু বায়ুৰ তনয়॥ ৩৭৫
তোক লাগি হৃদযত বৰ পাইলোঁ শোক।
প্ৰভু মৰি গৈল কোনে জীয়াইবে তোমাক॥
একে সমৰতে সবে সৈন্য ভৈল হত।
মোক লাগি জানোহোঁ যমৰ নাহি দূত॥ ৩৭৬
লৱ কুশে বোলে আজি কি কথা ভৈলন্ত।
দুই ভাই কান্দি কান্দি তথাতে আছন্ত।
সীতা বোলে উঠা প্ৰভু দয়াৰ গোসাই।
তোমাৰ লগত নিযা মৰি যাওঁ মই॥ ৩৭৭
শত্ৰুঘ্ন লক্ষ্মণ ভৰতৰ ধৰি গলে।
ধৰিয়া কান্দন্ত সতী হাকুলে ব্যাকুলে॥

বুকে মুঠি মাৰি ৰাম-চৰণত ধৰি।
নাছিকে চেতন মাত্ৰ থাকিলেক পৰি ॥ ৩৭৮
লৱ কুশ দুই ভাই তুলিয়া ধৰিলা।
অমৃত জলক আনি মাথাত ঢালিলা ॥
কতো বেলি চেতন লভিলা সীতা সতী।
ৰামক লাগিয়া শোক কৰিলন্ত অতি ॥ ৩৭৯
ত্ৰিভুবনে জিনন্তা নভৈলা কোন জন।
পুত্ৰৰ হাতত আজি মিলিল মৰণ ॥
নাম শুনি তোমাৰ যে ৰাক্ষস কঁপিলা।
লঙ্কা নগৰীত দশাননক জিনিলা ॥ ৩৮০
সেহি পাপ এৰাইবাক যজ্ঞ আৰম্ভিলা।
ঘোৰাৰ নিমিত্তে প্ৰভু প্ৰাণক এৰিলা ॥
হা প্ৰাণ বিধাতা কিসক জন্ম দিলা।
এহি বয়সতে মোক বিধবা কৰিলা ॥ ৩৮১
এহি বুলি সীতা আই বহুত কান্দন্ত।
হেন সময়ত আসি বাল্মীকি পাইলন্ত ॥
সীতাৰ ক্ৰন্দন দেখি আপুনি পুছিলা।
কি কাৰণে আই বৰ শোকাবিষ্ট ভৈলা ॥ ৩৮২
লৱ-কুশে বোলে প্ৰভু চৰণে প্ৰণাম।
তোমাৰ প্ৰসাদে প্ৰভু জিনিলো সংগ্ৰাম ॥
ঘোৰা ধৰি লৱে বৰ লগাইলা কন্দল।
তাক খেদি আসিলা ৰামৰ সৈন্যদল ॥ ৩৮৩

সৱান্ধৱে ৰামক যে কটকে সহিত ।
তোমাৰ প্ৰসাদে প্ৰভু জিনিলোঁ ৰণত ॥
বাল্মীকি বোলন্ত কথা ভৈলা অথন্তৰ ।
নিচিনিয়া বাপে পোৱে কৰিলা সমৰ ॥ ৩৮৪
যি বেলাত ৰামদেৱ প্ৰচণ্ড প্ৰতাপ ।
সীতাৰ যে স্বামী ৰাম তোমাৰ যে বাপ ॥
মাৰিলাহা শত্ৰুঘন লক্ষ্মণ ভৰত ।
ৰামৰ কনিষ্ঠ যে তোমাৰ খুল্লতাত ॥ ৩৮৫
আক লাগি পটন্তৰ কিছু কিছু আছে ।
জীয়াইবাক লাগি ঋষি চিন্তিলন্ত পাছে ॥
এহি বুলি ঋষিৰাজ গৈলা আগ বাঢ়ি ।
লৈলন্ত অমৃত কিছু কমণ্ডলু ভৰি ॥ ৩৮৬
হাতে কুশ মুঠি ধৰি ঋষিৰাজ গৈলা ।
পুত্ৰ সমন্বিতে সীতা লগতে লৰিলা ॥
বেদ মন্ত্ৰ পঢ়ি ঋষি অমৃত সিঞ্চিলা ।
নিদ্ৰাৰ জাগিয়া যেন উঠিয়া বসিলা ॥ ৩৮৭
গজ বাজী প্ৰজা যত আছে পৰি পৰি ।
অমৃত পৰিয়া কৰে লৱৰা লৱৰি ॥
ৰামদেৱ প্ৰভু যেবে জীলা সবান্ধৱে ।
ৰঙ্গে ঢঙ্গে বাদ্য ভণ্ড সেহি থানে বাৱে ॥ ৩৮৮
তেবেসে বাল্মীকি হেন বুলিলা বচন ।
মহা শান্তী সীতা দেৱী কেনে দিলা ৰণ ॥

যৈসানি বনক গৈলা সীতা মহা সতী।
সেহি দিনা লাগ পাইলোঁ ছাত্র সমন্বিতি ॥ ৩৮৯
জীউ বুলি সীতাক কৰিলোঁ প্রতিপাল।
তেবেসে ভৈলেক গৰ্ব্ভে যমজ চাৱাল ॥
শিশুৰ যতেক কৰ্ম্ম সকলে কৰিলোঁ।
বেদ মন্ত্র পঢ়াই পাচে ধনু শৰ দিলোঁ ॥ ৩৯০
সিকাৰণে ধনুৰ্দ্ধৰ ভৈলা অতিশয়।
লৈয়োক তোমাৰ পুত্র নাহিকে সংশয় ॥
হেন শুনি ৰামৰ যে আনন্দিত মন।
পুত্র দুইক কোলে লৈয়া কৰিলা চুম্বন ॥ ৩৯১
ঋষিক আশ্বাসি ৰাম বুলিলা সম্মুখি।
তোমাৰ প্রসাদে হৰাই পাইলোঁ নব নিধি ॥
বাল্মীকি ও ৰামক আশ্বাস বুলি বাণী।
যাওঁ অযোধ্যাক এবে কৰিলোঁ মেলানি ॥ ৩৯২
এহি বুলি ঋষিৰাজ আশ্রমে চলিলা।
সবন্ধু বান্ধৱে ৰাম অযোধ্যাক গৈলা ॥
জয় মুনি বদতি যে শুনা নৃপবৰ।
ৰামদেৱ পিতা পুত্রে যিমত সমৰ ॥ ৩৯৩
যেন মতে যুদ্ধ মৃত্যু জীলা যেন মতে।
সাৰশেষ কথা মই কহিলো তোমাতে ॥
শুনা সভাসদ ইতো ৰামায়ণ কথা।
লভিবা মুকুতি সুখ এৰি আন কথা ॥ ৩৯৪

যিবা পঢ়ে যিবা শুনে শুনাৱে আনক ।
পাপ হৰি সিয়ো যায় বিষ্ণুৰ থানক ॥
ৰামেসে ভুকুতি দাতা ৰামে গতি দাতা ।
ৰামেসে বিধাতা আৰু ৰামে পিতা মাতা ॥ ৩৯৫
হেন জানি ৰামৰ চৰণে কৰা সাৰ ।
তেবেসে তৰিবা ঘোৰ সংসাৰ সাগৰ ॥
ৰাম হেন স্বামী পাইলা কত তপসাই ।
ৰাম ৰাম বুলি যোৱা সংসাৰ এৰাই ॥ ৩৯৬
অথিৰ জীৱন দেহা জানি এৰা আৰ ।
সচিত্তে সপোনে ৰাম বুলি হোৱা পাৰ ॥
পাপী সব নিস্তৰিল জানা ৰাম নামে ।
শিলাও মানুষ হয় ৰাম পৰশনে ॥
হেনয় ৰামৰ পদযুগে নৌকা কৰি ।
সংসাৰত পাৰ হোৱা ৰাম ৰাম স্মৰি ॥ ৩৯৭
যত দেখা ভাৰ্য্যা পুত্ৰ সবে অকাৰণ ।
সোপানৰ নিধি যেন জীৱন মৰণ ॥
হেন জানি নিৰন্তৰে এৰি আন কাম ।
পাতক ছাৰোক ডাকি বোলা ৰাম ৰাম ॥ ৩৯৮

সমাপ্ত ।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR

জ্ঞাপন।

নক

বৰুৱা এজেন্সি, গৌহাটী দীঘল।

আমাৰ আসামত ভালে মান ডাঙৰ ডাঙৰ কিং
হোৱাত বহুতো ন ন পুথি ওলাব ধৰিছে; ই আসামৰ
বাহিৰে আন একো নহয়। আমি কিছুমানেও গোট খাই
কামত হাত দিবলৈ মন কৰিছোঁ; ভগবানৰ কৃপা হলে আমাৰ
কাম দেখি ৰাইজে আমাক চিনি পাব। আমাৰ পৰা এটকাৰ
কিতাপ নিলেও গ্ৰাহকে যথেষ্ট কমিচন পাব। সবহ ধনৰ পুথি
নিলে আমাৰ নিজা পুথি বোৰৰ শতকৰা ২৫ টকা হিচাবে
কমিচন পাব; এবাৰ পৰীক্ষা কৰি চাওক। আমি ইয়াত থন
চেৰেক পুথিৰ মাথোঁন নাম দিলোঁ।

পুথিৰ নাম	বেচ
১। সাহিত্য বিচাৰ (শ্ৰীযুক্ত সত্যনাথ বৰা) ৮০ অনাৰ ঠাইত	॥
২। অঞ্জলি (শ্ৰীযুক্ত দুৰ্গেশ্বৰ শৰ্ম্মা)	॥
৩। নিয়প্ৰাইমেৰী পাঠ ২য় ভাগৰ অৰ্থ ...	৵৬
৪। লৱ কুশৰ যুদ্ধ	।৵০
৫। পচতি	৴০
৬। কিণ্ডাৰগাৰ্টেন ধাৰাপাত (শ্ৰীযুক্ত এচ. এন্. বৰুৱা)	⁄৬

পুথি পোৱাৰ ঠিকনা—

শ্ৰীযুক্ত ধৰ্ম্মদত্ত লহকৰ, লহকৰপাৰা, পোঃ মৰোৱা।
„ হৰিচন্দ্ৰ গোস্বামী, বৰবাৰী সত্ৰ, পোঃ মৰোৱা।
„ হৰিনাৰায়ণ বৰুৱা, উত্তৰ লক্ষীপুৰ মধ্য ইং স্কুল।
„ গোপালচন্দ্ৰ বৰুৱা, মেনেজাৰ দীঘলীপুখুৰী, গৌহাটী।